ওঁ তৎ সৎ

GOVERNMENT OF ASSAM
Call No. 497R

# ভক্ত মাহাত্ম্য

ও

# শ্রীশ্রীনিগমানন্দ

## জীবনী প্রসঙ্গ

### প্রথম ভাগ

মূল্য ।।৵০ আনা মাত্র

GOV'  'ENT OF ASS'M
RICT LIBRARY.
GAUHATI.
Date. 21.|4.|55
ওঁ. তৎ. সৎ
VERNMENT OF ASSAM
No. 920
Sr 3. Bha
DISTRICT LIBRARY.

# ভক্ত কাহিনী

## জগন্ময়ীৰ কৃপা

শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ
বেদাহমেতং পুৰুষং মহান্তং
আদিত্য বৰ্ণং তমসঃ পৰস্তাৎ।
তমেৱ বিদিত্বা চাতি মৃত্যুমেতি
নান্যঃ পন্থা বিদ্যতে অয়নায়॥

হে জগদ্বাসী অমৃতৰ (আনন্দৰ) সন্তানগণ! তোমালোকে অবহিত চিত্তে এই আনন্দৰ বাণী শ্ৰৱণ কৰা; "আমি তমসাৰ (অন্ধ-কাৰৰ) পৰপাৰত অৱস্থিত সেই পৰম পুৰুষক (জ্যোতিৰ্ময় পুৰুষক) উপলব্ধি (দৰ্শন) কৰিছোঁ। সেই পৰম পুৰুষক জানিলে মানৱৰ মৃত্যুভয় দূৰ হয়। ইহা ব্যতীত অমৃতত্ব লাভৰ আন পথ থাকিব নোৱাৰে।

এই

যি শক্তিতে ব্ৰহ্মা, বিষ্ণু, শিবই সৃষ্টি, স্থিতি এবং ধ্বংস কৰি থাকে; ইন্দ্ৰই বজ্ৰৰ দ্বাৰা বিশ্ব চুৰমাৰ কৰি থাকে: পবনে এটি নিমিষতে সমস্ত বিশ্ব বিলোড়ন কৰে: অগ্নিয়ে বিশ্ব দাহন কৰি থাকে; সেই মহাশক্তি বা ব্ৰহ্মশক্তি সাধনা ভাৰতৰ আধুনিক নহয়। অতি পৌৰাণিক যুগৰে পৰা শক্তি সাধনা ভাৰতত প্ৰচলিত হৈ আহিছে। উপনিষদৰ এটি কাহিনীৰ দ্বাৰায় শক্তি সাধনা যে ভাৰতৰ বহু পৌৰাণিক এই কথা সপ্ৰমাণ হৈ আহিছে। কেনোপনিষদত এই কাহিনীটি বৰ্ণিত আছে।

দেবতা আৰু অসুৰ বিলাকৰ যুদ্ধত ব্ৰহ্মশক্তি বা জগত জননীয়ে দেবতা সকলৰ পক্ষ হৈ অসুৰ বিলাকক যুদ্ধত পৰাস্ত কৰে। ব্ৰহ্মৰ বিজয়কেই দেবতা সকলে নিজৰ বিজয় গৌৰব মনে কৰি নিজক গৌৰবান্বিত বোধ কৰে। জগতজননী এই কথা জানিব পাৰি স্বৰ্গৰাজ্যত যক্ষৰূপে প্ৰাদুৰ্ভূত হল। দেবতা সকলে এই প্ৰাদুৰ্ভূত মূৰ্ত্তিটি যে কি তাক জানিব নোৱাৰিলে। দেবতা সকলে স্বৰ্গৰাজ্যত আবিৰ্ভূত যক্ষৰ সমীপস্থ হৈ যক্ষৰ বৃত্তান্ত জানিবৰ নিমিত্তে অগ্নিক যক্ষৰ সমীপে যাবলৈ কলে। অগ্নি দেবতা সকলৰ আদেশে ত্বৰিতে যক্ষৰ সমীপস্থ হলগৈ। যক্ষৰূপী ব্ৰহ্মশক্তিয়ে অগ্নিক সুধিলে "তুমি কোন?" ব্ৰহ্মৰ প্ৰশ্নানুসাৰে অগ্নিয়ে উত্তৰ কৰিলে। "মই অগ্নি ও জাতবেদা, নামে প্ৰসিদ্ধ।" ব্ৰহ্মশক্তি বা জগত জননীয়ে কলে, "তুমি ভুবন বিখ্যাত অগ্নি, তুমি কি শক্তি ধাৰণ কৰা।" অগ্নিয়ে কলে, "এই বিশ্বব্ৰহ্মাণ্ডত যত বস্তু

আছে, মই সেই সমুদায় দগ্ধ কৰিব পাৰোঁ। তেতিয়া জগত জননীয়ে "এইটি দগ্ধ কৰা বুলি অভিমানী অগ্নিৰ সন্মুখত এটি ক্ষুদ্ৰ তৃণ স্থাপন কৰিলে। অগ্নি তৎক্ষণাৎ তৃণৰ সমীপস্থ হৈ নিজৰ সমুদায় শক্তি প্ৰয়োগ কৰিও ক্ষুদ্ৰ তৃণটি দগ্ধ কৰিবলৈ সমৰ্থ হব নোৱাৰিলে। তেতিয়া অগ্নিয়ে লাজত তল-মূৰ কৰি যক্ষৰ সমীপৰ পৰা উলটি গৈ দেৱতা সকলক কলেগৈ, —"এই পূজনীয় বৰণীয় মূৰ্ত্তিটি যে কোন, জানিব নোৱাৰিলোঁ।

অনন্তৰ দেৱতাসকলে বায়ুক যক্ষ কোন জানিবৰ নিমিত্তে যক্ষৰ সমীপে যাবলৈ কলে। বায়ুও ত্বৰিতে যক্ষৰ সমীপস্থ হলগৈ। জগত জননীয়ে বায়ুক সমীপস্থ হোৱা দেখি সুধিলে, "তুমি কোন ?" বায়ুয়ে কলে "মোৰ নাম বায়ু, মই মাতৰিশ্বা নামে প্ৰসিদ্ধ," যক্ষৰূপী ব্ৰহ্মশক্তিয়ে সুধিলে, "তুমি ভুবন বিখ্যাত বায়ু তোমাৰ সামৰ্থ্য কি ?" বায়ুয়ে উত্তৰ কৰিলে "এই জগতত যি কোনো পদাৰ্থকে মই উৰুৱাই নিব পাৰোঁ।" তেতিয়া যক্ষই বায়ুৰ সন্মুখত এটি অতি সামান্য তৃণ স্থাপন কৰি কলে, "এইটি উৰুৱাই নিয়া।" বায়ুও তৃণটিৰ সমীপবৰ্ত্তী হৈ তৃণটি উৰুৱাবলৈ নিজৰ সমস্ত শক্তি প্ৰয়োগ কৰিও তৃণটি উৰুৱাবলৈ অসমৰ্থ হল। তেতিয়া বায়ু লাজত তলমূৰ কৰি যক্ষৰ ওচৰৰ পৰা গুচি গৈ দেৱতা সকলৰ আগত কলেগৈ, "এই বৰণীয় মূৰ্ত্তিটি যে কোন জানিব নোৱাৰিলোঁ।"

তদনন্তৰ দেৱতা সকলে ইন্দ্ৰক কলে, "হে মঘবন্! এই

যক্ষ কোন, তুমি জানি আহাঁ। ইন্দ্ৰও "তথাস্তু" বুলি তথায় গমন কৰিলে। কিন্তু ইন্দ্ৰক দেখা মাত্ৰেই যক্ষ স্বৰ্গৰাজ্যৰ পৰা অন্তৰ্হিত হল। তেতিয়া ইন্দ্ৰই আকাশ পথত দেখিবলৈ পালে, স্ত্ৰীৰূপা বহু শোভা সম্পন্না হেমাভৰণ ভূষিতা হিমালয় দুহিতা বিদ্যাৰূপিণী উমা আবিভূৰ্তা! তেতিয়া সুৰৰাজ ইন্দ্ৰ আকাশ পথত আবিভূৰ্তা উমাক "এই যক্ষ কোন?" বুলি সুধিলে। হিমালয় দুহিতা উমা মত্ত কোকিলবৎ উত্তৰ কৰিলে "ব্ৰহ্মই স্বৰ্গৰাজ্যত যক্ষৰূপে আবিভূৰ্ত হৈছিল। এই ব্ৰহ্মই যুদ্ধত অসুৰ বিলাকক পৰাস্ত কৰিছিল। কিন্তু ব্ৰহ্মৰ বিজয়কেই তোমালোকে নিজৰ বিজয় গৌৰব অনুভব কৰিছাঁ। এই কথা শুনি দেৱৰাজ ইন্দ্ৰ যক্ষক ব্ৰহ্মস্বৰূপ বুলি জানিব পাৰিছিল। দেৱতা সকলৰ ভিতৰত অগ্নি, বায়ু আৰু ইন্দ্ৰ এই তিনিজন দেৱতাই ব্ৰহ্মৰ সমীপবৰ্ত্তী হৈছিল কাৰণে ব্ৰহ্মকয় জানিব পাৰিছিল। এই নিমিত্তে দেৱতা সকলৰ ভিতৰত এই তিনিজন দেৱতাই শ্ৰেষ্ঠ।

পৌৰাণিক যুগৰ পৰাই ভাৰতত অনেক সাধকে মহাশক্তিৰ সাধনা কৰি ঋদ্ধি সিদ্ধি লাভ কৰি উত্তমাগতি লাভ কৰি আহিছে। ভাৰতৰ পূৰ্ব্ব প্ৰান্তৰ কামৰূপ ভূমিও তন্ত্ৰৰ অন্তৰ্গত হাশক্তিৰ সাধনায় ঋদ্ধি সিদ্ধি লাভ কৰি আহিছে। দেশ বিদেশৰ অনেক সাধকে কামৰূপ ভূমিৰ অন্তৰ্গত কামাখ্যা পীঠত ঋদ্ধি সিদ্ধি লাভ কৰি উত্তমাগতি প্ৰাপ্ত হৈছে। আজিও শৰতৰ দুৰ্গোৎসৱে ইয়াৰ সাক্ষী দি আহিছে। এনেকুৱা

এজন মহাশক্তি সাধকৰ কাহিনী এই ক্ষুদ্ৰ প্ৰবন্ধত আলোচনা কৰিবলৈ ললোঁহেঁ।

আসামৰ উজনি ফালৰ কোনো এখন গাঁৱত জগন্নাথ নামে এজন পৰম নৈষ্ঠিক এবং ধাৰ্ম্মিক ব্ৰাহ্মণ বাস কৰিছিল। এওঁ গোত্ৰত ভৰদ্বাজ আছিল। ব্ৰাহ্মণ অতি দুখীয়া আছিল। কেই বিঘা মান মাটিৰ বাহিৰে আন একো নাছিল। এই কেই বিঘা মাটিৰ দ্বাৰায় ব্ৰাহ্মণ জীৱিকা নিৰ্ব্বাহ কৰিছিল। ব্ৰাহ্মণৰ পত্নী বিয়োগ হৈছিল। একমাত্ৰ কন্যা ভগৱতীক পাত্ৰস্থা কৰি ব্ৰাহ্মণ জগত জননীৰ সাধনায় কালাতিপাত কৰিছিল। ব্ৰাহ্মণে জগত জননীৰ নামানুসাৰে কন্যাৰ নাম ৰাখিছিল ভগৱতী। ব্ৰাহ্মণে বছৰে বছৰে শৰতৰ দুৰ্গা পূজা কৰি থাকে। কিন্তু পূজাত বাহিৰৰ ৰজোগুণৰ প্ৰাবল্য জাকজমক শূন্য। পূজাত দশপ্ৰহৰণধাৰী বাঁৰে লক্ষ্মী, সৰস্বতী, কাৰ্ত্তিক, গণেশপতিৰ কোনো মূৰ্ত্তি পূজা হৈ নেথাকে। একমাত্ৰ মূৰ্ত্তিকাৰ ঘট স্থাপন কৰি জগত জননীৰ পূজা সমাধা কৰি থাকে। এবাৰ ব্ৰাহ্মণ বাহিৰে মানুহক নিমন্ত্ৰণ কাৰ খুউৱাবো সামৰ্থ্য নাই। একমাত্ৰ ঋদ্ধি সিদ্ধি দাত্ৰী বৰাভয়কৰী জগত জননীৰ স্মৰণ মনন হৃদয়ৰ ভক্তি অৰ্ঘ্যদানে আৰু চকুৰ পানীৰে জগত জননীৰ অতুল ৰাতুল চৰণ ধৌত কৰি ব্ৰাহ্মণে জগত জননীৰ পূজা সমাধা কৰি থাকে।

এনেকৰা এটি শৰত কালত দুৰ্গা পূজা আহিল। ব্ৰাহ্মণেও জগত জননীৰ আবাহন কৰিবলৈ মনোযোগী হল। ব্ৰাহ্মণ নিতান্ত

গৰীব। ধনীৰ নিচিনাকৈ তেওঁ জাকজমককৈ মানুহ তুনুহ মাতি খুউৱাবো শক্তি সামৰ্থ্য নাই। কিন্তু ব্ৰাহ্মণৰ আছে একমাত্ৰ হৃদয়ৰ ভক্তিৰ অৰ্ঘ্য আৰু চকুৰ লোটক। কি দিয়েই বা জগত জননীৰ সন্তোষ কৰা যাব পাৰে; যি ৰাজ ৰাজেশ্বৰী ভুবন ঈশ্বৰী। তেওঁক অদেয় কি থাকিব পাৰে। তথাপিতো জগত মাতৃ ভক্ত বাঞ্ছাৰূপিনী, ভক্ত কল্পতৰুৰূপিনী। ভক্ত ভক্তিৰ অৰ্ঘ্যৰূপে যি ফল, জল নৈবেদ্যৰূপে দি থাকে; কিম্বা ফল, ফুল, বেলপাত দি চৰণ পূজা কৰি থাকে জগতমাতৃ তাকেই হাত পাতি লৈ থাকে।

পত্ৰংপুষ্পং ফলং তোয়ং যো মে ভক্ত্যা প্ৰযচ্ছতি।
তদহং ভক্ত্যুপহৃতমশ্নামি প্ৰযতাত্মনঃ॥ ২৬

শ্ৰীমদ্ভাগৱত গীতা ৯ম অঃ

যি ভক্তই ভক্তি পূৰ্ব্বক মোক ফুল, বেলপাত, ফল, জল অৰ্পণ কৰি থাকে, মই সেই শুদ্ধচিত্ত নিষ্কাম ভক্তগণৰ অৰ্পিত সেই সমুদায় প্ৰীতিপূৰ্ব্বক গ্ৰহণ কৰি থাকো।

শিশু বিলাকে পিতৃমাতৃক আনন্দতে ফুলটো, পাতটো, কেতিয়াবা ধূলিমুঠিও দি থাকে। কিন্তু সন্তান বৎসল বৎসলা পিতৃমাতৃয়ে সন্তানৰ স্নেহবশতঃ শিশু সন্তান প্ৰদত্ত অপদাৰ্থ বস্তু বিলাককো হাত পাতি লৈ থাকে। ভক্তবৎসলা জগতজননীয়েও ভক্তৰ প্ৰতি অহেতুক কৰুণা বশতঃ ভক্ত ভক্তিপূৰ্ব্বক প্ৰদত্ত ফুল ফল, জল, বেলপাত, তুলসীপাত, সমুদায় বস্তু বিলাক গ্ৰহণ কৰি

থাকে। ব্ৰাহ্মণে চকুৰ পানীৰে জগতমাতৃৰ চৰণ ধৌত কৰি পূজা সমাধা কৰাৰ বাহিৰে আন উপায় নেদেখিলে।

বৰ্ষাৰ বিদায়। শৰতৰ সুদিন আগমন। ডাৱৰ বিমুক্ত আকাশ। বাৰিষাৰ বোকা পানী শুকাই আলি পদূলি বিলাক মানুহ চলাচল কৰিবলৈ আনন্দপ্ৰদ হৈ উঠিছে। বাৰিষাৰ দুঃখ দুৰ্গতি কাটি প্ৰকৃতিতে এটি আনন্দৰ সুৰ বাজি উঠিছে। সেই বছৰ আহিনৰ শেষৰ ফালে পূজা আহিল। আজি শুক্লা ষষ্ঠী। জগতমাতৃৰ কল্পাৰম্ভ। আজি সন্ধ্যা জগতজননীৰ মূৰ্ত্তি প্ৰতিষ্ঠা হব। পশ্চিমাঞ্চলে সূৰ্য্যাস্ত হৈ পশ্চিমগগণ ৰক্তিমাভা ধাৰণ কৰিছে। ধীৰে ধীৰে সন্ধ্যা দেবীয়ে কলা উৰণিখন টানি লৈছে। আকাশত শুক্লা ষষ্ঠীৰ এফালি জোন সন্ধ্যা তৰাতিৰ লৈতে তিৰবিৰাব ধৰিছে। এই সময়ত মানুহ দেখিলে অস্পষ্ট যেন বোধ হৈ থাকে। এই সময়তে জগন্নাথৰ একে বংশৰ জগন্নাথৰ ভাই সম্বন্ধীয় এজনে দেখিবলৈ পালে যে জগন্নাথৰ জীয়েক ভগৱতী বাপেকৰ ঘৰৰ ফাললৈ বেগাবেগিকৈ খোজ কাঢ়ছে। মানুহ জনে দেখিলে যে ভগৱতীৰ ৰূপৰ জেউতিত গাঁৱলীয়া বাটটো জেউতি চৰি উঠিছে। এনেকুৱা ৰূপ দেখা দেৱভাৰো বাঞ্ছনীয়। মানুহ জনে কৌতুহলী হৈ সুধিলে "কি হে ভগৱতী পূজাত বাপেৰাৰ ঘৰলৈ আহিছানে?" ভগৱতীয়ে হাঁহি মোলায়েমকৈ কলে "হয় খুড়া মই পূজাত পিত্ৰালয়লৈ আহিছোঁ।" এই কথা কৈয়ে ভগৱতী ধীৰে ধীৰে জগন্নাথৰ ঘৰৰ ফাললৈ সোমাই গল।

পাচদিনা এই মানুহজন পূজোপলক্ষে জগন্নাথৰ ঘৰলৈ গৈছিল। জগন্নাথৰ কন্যা ভগৱতীক দেখি সুধিলে। "ভগৱতী তোমাৰ ঘৰত ভালনে ? কালি সন্ধ্যাৰ সময়ত তোমাক অহা মই বাটত লগ পাইছিলোঁ।" এই কথা শুনি জগন্নাথৰ কন্যা ভগৱতী আশ্চৰ্য্য হৈ কলে, "খুড়া কালি সন্ধ্যা তুমি মোক কত লগ পাইছিলা।" মই অহা আজি ৪ দিন হল। ঘৰৰ কামৰ পৰাই অৱসৰ পোৱা নাই।" তেতিয়া মানুহজনে কলে, "কালি সন্ধ্যা স্পষ্ট তোমাক মই দেখিলোঁ আৰু সুধিলো, "ভগৱতী তুমি পূজাত পিতৃ গৃহত আহিছানে? তুমিও স্পষ্ট উত্তৰ দিলা, হয় খুড়া পূজাত মই পিত্ৰালয়ে আহিছোঁ।" এই ঘটনাৰ কথা শুনি জগন্নাথৰ আৰু বুজিবলৈ বাকী নেথাকিল যে তেওঁৰ নিজৰ কন্যাৰ ৰূপ ধৰি কোনোনো তেওঁৰ ঘৰত পূজা গ্ৰহণ কৰিবলৈ আহিছে। কিন্তু এই কথা শুনি আৰু জানি যেনেকৈ ব্ৰাহ্মণৰ হৰ্ষ উপস্থিত হল। আনফালে তেনেকৈ বিষাদৰ ছায়া আহি ব্ৰাহ্মণৰ মন ঢাকি পেলালে। কিয়নো যি জগতজননী অনন্ত কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰী তেওঁক কি দি গৰীব জগন্নাথে পূজা কৰিব। ব্ৰাহ্মণৰ দুই চকুয়েদি অজস্ৰ ধাৰায় চকুৰ লোটক ববলৈ ধৰিলে। নিশা সপোনত ব্ৰাহ্মণে দেখিবলৈ পালে তেওঁৰ নিজৰ কন্যা ভগৱতীৰূপে জগতজননীয়ে ব্ৰাহ্মণক কলে, "পিতা! তোমাৰ ঘৰত যি শাকান্ন আছে তাকে দিয়েই মোৰ পূজা কৰিবা মই তাতেই সন্তোষ লাভ কৰিম।"

আজি মহাষ্টমী। ভাৰতৰ হিন্দুৰ ঘৰে ঘৰে মহাশক্তিৰূপিনী জগত জননীৰ নামে আনন্দৰ ৰোল উঠি গগণমণ্ডল প্ৰতিধ্বনিত হৈছে। ভাৰতৰ গাঁৱে গাঁৱে নগৰে নগৰে জগতমাতৃৰ পূজা হৈছে। পূজাত কত ছাগলী, কত মহিহ বলি হৈছে তাৰ কি গণনা কৰা যাব পাৰে। জগন্নাথৰ ঘৰৰ অনতি-দূৰত দু মাইল মানৰ ভিতৰতে এজন চাহ বাগিছাৰ মালিকৰ ঘৰত দুৰ্গা পূজা হৈছিল। এই চাহ বাগিছাৰ মালিক জনো জাতিত ব্ৰাহ্মণ আছিল। এওঁৰ পূজা হৈছিল ৰজোগুণ সুলভ। চাহ বাগিছাৰ যাতে প্ৰচুৰ পৰিমাণে অৰ্থলাভ হৈ থাকে। এওঁৰ পূজাত ধুমধাম আৰু জাকজমকৰ অভাৱ নাছিল। সিংহবাহিনী অসুৰ দলনী দশপ্ৰহৰণধাৰী দশভূজা মূৰ্ত্তি। বাঁৱে ঐশ্বৰ্য্যৰূপিনী লক্ষ্মী আৰু দেৱ সেনাপতি কাৰ্ত্তিক, দক্ষিণে সিদ্ধিদাতা গণেশ আৰু জ্ঞানৰূপিনী সৰস্বতীৰ মূৰ্ত্তিয়ে পূজামণ্ডপ শোভিত কৰিছে। পূজাৰীয়ে পূজা কৰিছে। চণ্ডীপাঠ, গীতা পাঠ, পূজামণ্ডপ মুখৰিত হৈছে। বাহিৰত গান বাজনায় পূজাৰ ঠাইখন মুখৰ কৰি তুলিছে। নিমন্ত্ৰিতৰো অভাৱ নাই খোৱাৰও অভাৱ নাই। লুচি, পুৰি, সন্দেশ, ৰসগোল্লা, কচুৰা, আমিৰ্ত্তী, মিঠাই, মণ্ডা ঘৰৰ এফালে তৈয়াৰী হৈছে। ঘৰৰ আনফালে দাইল, তৰকাৰী, আলুৰদম, টেঙা আঞ্জা, আলুভাজি, পটল ভাজি, বঙালাউ ভাজি অগণন তৈয়াৰ হব লাগিছে। মুঠতে কবলৈ গলে “দীয়তাং ভোজ্যতাং।” চাৰিউফালে হৈ চৈ-ধুমধাম। মহাষ্টমীৰ দিনত জগত জননীৰ তৃপ্তিৰ কাৰণে ছাগলী আৰু মহিষ

ৰ'লৰ নিমিত্তে বন্ধা আছে। প্ৰতিমাৰ সন্মুখত ষোড়শোপচাৰে নৈবেদ্য দিয়া হৈছে। ছাগলীবিলাকে বোধ হয় এতিয়াও জনা নাই যে অলপৰ পাচতে সিহঁতৰ ৰক্তৰ দ্বাৰা জগন্মাতৃৰ তৃপ্তি সাধন হব। ছাগলী বিলাকে প্ৰতিমাৰ সন্মুখৰ নৈবেদ্যৰ কল, কুঁহিয়াৰ, চাউল মগু মাহৰ ফালে চাই চাই চোঁচা নাৰিব ধৰিছে। কিন্তু সিহঁতৰ দিঙিত পঘাৰে বন্ধা আছে কাৰণে নৈবেদ্যৰ কল, মাহ, চাউল খাবৰ সাধ্য নাই।

"দীয়তাং ভোজ্যতাং" জাক জমক আৰু ধুমধামৰ পূজা দেখি সকলোৰে মুখৰ পৰা এক বাক্যে বাহিৰ হবলৈ ধৰিলে "এনেকুৱা পূজা আৰু কোনো কালেই হোৱা নাই।" "এনেকুৱা পূজা আৰু কোনো কালেই হোৱা নাই।" সকলোৰে মুখৰ পৰা একবাক্যে বাহিৰ হৈ আকাশত প্ৰতিধ্বনিত হবলৈ ধৰিলে; আকাশত প্ৰতিধ্বনিত হৈ চাহ বাগিছাৰ মালিকজনৰ কানত পুনঃ পুনঃ প্ৰতিধ্বনিত হবলৈ ধৰিলে "এনেকুৱা পূজা আৰু কোনো কালেই হোৱা নাই।" চাহ বাগিছাৰ মালিকজন পূজাত কৰ্ম্মক্লান্ত হৈ জিৰণিৰ নিমিত্তে নিদ্ৰিত হল। নিদ্ৰিত হৈও তেওঁৰ কানত প্ৰতিধ্বনিত হবলৈ ধৰিলে "এনেকুৱা পূজা আৰু কোনো কালে হোৱা নাই।" নিদ্ৰা দেবীৰ ক্ৰোড়ত আশ্ৰয় গ্ৰহণ কৰি চাহ বাগিছাৰ মালিকজনে সপোনত দেখিবলৈ পালে জগজ্জমাতৃয়ে তেওঁক কৈছে "তই অমুক গাঁৱৰ জগন্নাথৰ পূজা দেখি আহগৈ।"

নিদ্ৰা ভঙ্গৰ পাচত চাহ বাগিছাৰ মালিকজন খুব আশ্চৰ্য্য হল। জগত জননীয়ে তেওঁক কি আদেশ কৰিছে। তেওঁ

অতিকে কৌতুহলী হৈ জগন্নাথৰ গাঁৱৰ ফালে ধীৰে ধীৰে খোজ ললে। অলপ সময়ৰ পাচতে তেওঁ জগন্নাথৰ ঘৰ পাই দেখে যে জগন্নাথৰ ঘৰত পূজাৰ চিন মোকামেই নাই। ঘৰৰ নামে এটি চাল বেৰ নথকা ভঙা পঁজাৰ বাহিৰে তেওঁ আন একো দেখিবলৈ নেপালে। ঘৰৰ ওচৰ পাই চাহ বাগিছাৰ মালিকজনে "ব্ৰাহ্মণ ঘৰত আছেনে নাই" সুধিলে। তেওঁ ভঙা বেৰৰ ফুটাই দি দেখিবলৈ পালে এগৰাকী অনিন্দ্য লাৱণ্যময়ী জীয়ৰী যাৰ ৰূপৰ জেউতিতে ভঙা ঘৰখনৰ জেউতি চৰি আছে। চাহ বাগিছাৰ মালিকজনৰ প্ৰশ্নত জীয়ৰী গৰাকীয়ে উত্তৰ কৰিলে "পিতা পূজাত বহিছে।" চাহ বাগিছাৰ মালিকজনে পূজাৰ ফালে চাই দেখে যে মৃত্তিকাৰ ঘটত জগত জননীৰ পূজা হৈছে। নৈবেদ্যৰ ভিতৰত একমাত্ৰ শাকান্ন। চাহ বাগিছাৰ মালিকজনৰ মনত এটি গৰ্ব্বৰ ভাব আহিল। তেওঁৰ মনত ভাব হল তেওঁৰ নিচিনা জাকজমক আৰু ধুমধামৰ পূজা হোৱা নাই কাৰণে জগত জননীয়ে তেওঁক দেখিবৰ নিমিত্তে সপোনত আদেশ কৰিলে। আকৌ এবাৰ ভাবিলে এনেকুৱা অনিন্দ্য সুন্দৰী জীয়ৰী ঘৰত থকাও এটি কথা। জীয়ৰী গৰাকীৰ কি ৰূপ! কি অমৃতময়ী বাক্য। এটি বাক্যৰ দ্বাৰায় যেন তেওঁৰ প্ৰাণ শীতল হৈ গল। এই বিলাক চিন্তা কৰোঁতে কৰোঁতে তেওঁ আহি পুনৰ তেওঁৰ ঘৰ পালেহি। কিন্তু তেওঁ আহি দেখে যে তেওঁৰ সিংহ বাহিনী দশপ্ৰহৰণধাৰী বিনিন্দ্ৰনিদ্ৰয়া মহাশক্তিৰূপিনী ৰাজ ৰাজেশ্বৰীৰ শ্ৰীমুখত সেই গৰীব ব্ৰাহ্মণৰ শাকান্ন লাগি আছে। তেওঁ ভাবৰ ঘোৰে দেখিবলৈ পালে যেন তেওঁৰ

সন্দেশ, ৰসগোল্লা, লুচি-পুৰি যোড়শোপচাৰৰ পূজোপকৰণ সকলো মাটিতে পৰি আছে। চাহ বাগিছাৰ মালিকজনৰ বুজিবলৈ আৰু বাকী নেথাকিলে। মহাশক্তিৰূপিনী দশভূজা ৰাজৰাজেশ্বৰী তন্ত্ৰ মন্ত্ৰ যোড়শোপচাৰৰ পূজায় বদ্ধ নহয়। একমাত্ৰ হৃদয়ৰ ভক্তিৰ অৰ্ঘ্য আৰু চকুৰ পানীৰে ৰাজ ৰাজেশ্বৰীক বান্ধিব পাৰি। তেওঁ আৰু বুজিলে যে ব্ৰাহ্মণৰ ভঙা পঁজাৰ ভিতৰৰ পৰা যি গৰাকী অনিন্দ্য সুন্দৰী জীয়ৰীয়ে "পিতা পূজাত বহিছে" বুলি উত্তৰ দিছিল তেওঁ আন কোনো নহয়। ব্ৰাহ্মণৰ ভক্তিত তুষ্ট হৈ ব্ৰাহ্মণৰ কন্যাৰূপে জগতমাতৃ বদ্ধ হৈ আছে। মহাশক্তি স্বৰূপিনী জগত জননী ত্ৰৈলোক্যৰ ঈশ্বৰী অন্নপূৰ্ণেশ্বৰী কৈলাস ঈশ্বৰী কুবেৰ যাৰ ভঁড়ালি। তেওঁক কি দি সন্তোষ কৰা যাব পাৰে। মানুহে যে মনে কৰে ছাগলী, মহিষাদি বলি দি তেওঁৰ সন্তোষ বিধান কৰি জগত জননীৰ কৃপা লাভ কৰিব আৰু যোড়শোপচাৰৰ পূজাৰ দ্বাৰা জগত জননীৰ তৃপ্তি সাধন কৰিব : এই বিলাক ক্ষুদ্ৰ মানৱৰ অহঙ্কাৰৰ বাহিৰে আন একো হব নোৱাৰে। যাঁৰ ইচ্ছাতে পলকতে প্ৰলয় হৈছে ; যাঁৰ এটি কটাক্ষতে অনন্তকোটি ব্ৰহ্মাণ্ড সৃষ্টি, স্থিতি এবং প্ৰলয় হৈছে। হৃদয়ৰ অৰ্ঘ্য স্বৰূপ ভক্তিৰ দ্বাৰাই অনন্তকোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰীক বান্ধিৰ পাৰি। আন কোনো মনি, মুক্তা, হীৰা, জহৰত কিম্বা উপাদেয় খাদ্য দ্ৰব্যৰ দ্বাৰাও পৰমেশ্বৰীক বান্ধিবৰ উপায় নাই। "এই বুলি চাহ বাগিছাৰ মালিকজন জগত মাতৃৰ প্ৰতিমাৰ সন্মুখত ভক্তিপ্লুত হৈ ভূমিত পৰি বালকৰ নিচিনাকৈ হুক্ হুক্ কৰি কান্দিবলৈ ধৰিলে।

সপ্তমী, অষ্টমী আৰু নৱমীৰ পূজাৰ দিন শেষ হল। দেখোঁতে দেখোঁতে বিজয়া দশমীৰ দিন আহি পৰিল। আজি বিজয়া দশমীৰ দিন। কৈলাস ঈশ্বৰী শিৱৰ ঘৰিণী উমাৰূপিনী পৰ্ব্বত ৰাজদুহিতা পিতৃ ভৱন তিনি দিন শুৱনি কৰি আজি চতুৰ্থ দিনৰ বিজয়া দশমীৰ দিনা কৈলাসলৈ গমন কৰিব। জগত মাতৃৰ ভক্ত সকলৰ বিৰহ বেজাৰৰ অবাধ্য চকুৰ লোটকে বুকুতিয়াবলৈ ধৰিছে। জগন্নাথও চকুৰ পানীৰে বাট নেদেখা হৈছে। জগন্নাথে চকুৰ পানীৰ অঞ্জলিৰে জগত জননীৰ পূজা সমাধা কৰিলে। দশমীৰ পূজা শেষ হৈ পূজা বিসৰ্জ্জণ হৈ গল। এই সময়তে জগন্নাথৰ কন্যা ভগৱতী আহি জগন্নাথক সেৱা জনাই কলে, "পিতা, মই এতিয়া মোৰ ঘৰৰ ফালে যাওঁ। ঘৰ এৰি বহুত দিন থাকিব নোৱাৰোঁ।" এই বুলি ভগৱতী ধীৰে ধীৰে ঘৰৰ ফাললৈ খোজ ধৰিলে। কোৱা বাহুল্য ভগৱতীৰ স্বামীৰ ঘৰ ওচৰৰ এখনি গাঁৱতে।

বিজয়া দশমীৰ প্ৰতিমা বিসৰ্জ্জণ হৈ গল। ধীৰে ধীৰে অবগুণ্ঠনবতী সন্ধ্যা দেৱী নামি আহিছে। এই সময়তে জগন্নাথে তেওঁৰ জীয়েক ভগৱতীক তেওঁৰ ঘৰত দেখা পাই সুধিলে, "আই তুমি আবেলিতে মোৰ ওচৰৰ পৰা বিদায় লৈ তোমাৰ ঘৰলৈ গৈছিলা, তুমি আকৌ উলটি আহিলা নেকি?" এই কথা শুনি আশ্চৰ্য্য হৈ ভগৱতীয়ে কলে, "পিতা, মই মোৰ ঘৰত যোৱা নাই। মই এই ঘৰতেই আছো।" এই কথা শুনি জগন্নাথৰ মনত অতি আশ্চৰ্য্য বোধ হল। তেওঁ ভাবিলে জগতজননী পৰমেশ্বৰী আজি তিনি দিন তেওঁৰ কন্যা-

ৰূপে ঘৰ পোহৰ কৰিছিল। আজি বিজয়া দশমীৰ দিনত মোৰ ঔৰসজাত কন্যাৰূপে বিদায় মাগি কৈলাসলৈ যাত্ৰা কৰিলে। এই বুলি জগন্নাথে জগতজননীৰ কৃপা এবং অহেতুক করুণা স্মৰণ কৰি বালকৰ নিচিনাকৈ ফোঁপাই ফোঁপাই কান্দিবলৈ ধৰিলে।

---

# ভক্তিমতী ৰাবেয়া

সৰ্ব্ব ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়ামি মা শুচঃ॥ ৬৬

শ্ৰীমদ্ভাগৱত গীতা ১৮শঃ অঃ

সমুদায় ধৰ্ম্মাধৰ্ম্ম পৰিত্যাগ কৰি মোতে শৰণাপন্ন হোৱা (অৰ্থাৎ পাপপুণ্য অবিচাৰে ভগবদ্প্ৰীত্যৰ্থে জগতত কৰ্ম্ম কৰি যোৱা) মই তোমাক সৰ্ব্ব পাপৰ পৰা অব্যাহতি দিম আৰু মোৰ কৃপাতেই তুমি মোক্ষলাভ কৰি থাকিবা।

যুগে যুগে দেখা যায় একোজন মহাপুৰুষ বা মহামানৱ আবিভূ'ত হৈ পুৰুষ সমাজৰ পথ প্ৰদৰ্শক হৈ থাকে। যুগে যুগে নাৰী সমাজতো দেখা যায় একো গৰাকী মহীয়সী নাৰী বা মহামানৱী আবিভূ'তা হৈ নাৰী সমাজৰ পথ প্ৰদৰ্শক হৈ থাকে। অতীত যুগত আৰব দেশত এগৰাকী মহীয়সী নাৰী আবিভূ'তা হৈ নাৰী সমাজক অলঙ্কৃতা কৰিছিল। তেওঁৰ নাম আছিল ৰাবেয়া। ৰাবেয়াক বিদুষী বুলি সম্বোধন কৰিলে ভুল কোৱা হৈ থাকে। ৰাবেয়া আছিল ভক্তিমতী ঈশ্বৰ পৰায়ণা মহীয়সী নাৰী। ৰাবেয়াৰ বাল্যকালৰ কাহিনীটি অতি করুণ।

মানৱ সভ্যতাৰ আদি যুগত গোটেই পৃথিবীতে দাসদাসীৰ বৰ্ব্বৰ প্ৰথাটি প্ৰচলিত হৈ আহিছিল। সেই সময়ত ঘৰৰ দাসদাসী বিলাকক গৃহ-পালিত পশুৰ নিচিনাকৈয়ে ধনী বিলাকে ক্ৰয় বিক্ৰয় কৰি থাকে। এই মহিমময়ী নাৰীও জীৱনৰ পূৰ্ব্বভাগত এজন ধনী বণিকৰ গৃহত দাসীবৃত্তি পৰায়ণা আছিল।

ৰাবেয়া যেতিয়া বালিকা সেই সময়তে ৰাবেয়াৰ মাতৃবিয়োগ হৈ থাকে। ইয়াৰ পাচত ৰাবেয়াৰ বাপেককো এদল দস্যুয়ে বলপূৰ্ব্বক ঘৰৰ পৰা লৈ যায়। বালিকা অকলে পৰি মৰুভূমিৰ ভঙা পঁজাত কান্দিবলৈ ধৰে। কিছুমান দিনৰ পাচত ৰাবেয়াৰ বাপেক দস্যুৰ হাতৰ পৰা পলাই আহে। ৰাবেয়াৰ বাপেক দস্যুৰ হাতৰ পৰা প্ৰাণ কাতৰে লৰি আহি ঘৰ পাই ৰাবেয়াক পানী খাবলৈ বিচাৰে। ৰাবেয়া মৰুভূমিৰ মাজৰ পৰা বাপেকৰ নিমিত্তে পানী আনি দেখে যে, ৰাবেয়াৰ বাপেক আৰু পানী খাবলৈ

ইহ জগতত নাই। ৰাবেয়া আকৌ মৰুভূমিৰ মাজত ভঙা পঁজাত পৰি অকলে কান্দিবলৈ ধৰে। ইয়াৰ কিছুমান দিনৰ পাচত ৰাবেয়াক এদল দস্যুয়ে ঘৰৰ পৰা অপহৰণ কৰি লৈ যায়। দস্যুদলে এজন ধনী বণিকক বিক্ৰয় কৰি থাকে। ৰাবেয়া বণিকৰ ঘৰত দাসীবৃত্তি দ্বাৰা জীৱণ যাপন কৰিবলৈ ধৰে।

দৰাচলতে দেখা যায় দাসদাসী বিলাকৰ চৰিত্ৰ কলুষিত হৈ থাকে। কিন্তু ৰাবেয়াৰ চৰিত্ৰত কলুষিতা প্ৰবেশ কৰা নাছিল। ৰাবেয়া বিশুদ্ধ চৰিত্ৰা, জ্ঞান এবং ভক্তিৰ দ্বাৰা মহিমময়ী হৈ উঠে। ৰাবেয়া অসাধাৰণ মানসিক শক্তি সম্পন্না আছিল। এদিন বণিকৰ ঘৰত বণিকৰ কেইজনমান বন্ধুয়ে আহাৰ কৰিছিল। আহাৰৰ সময়ত বণিকৰ এজন বন্ধুয়ে মঙহৰ আঞ্জাৰ ভিতৰত এডোখৰ অস্থি পালে। মানবাস্থি আৰু পশুৰ অস্থিৰ বিভিন্নতা সম্বন্ধে বন্ধু কেইজনৰ ভিতৰত তৰ্ক উঠিল। তাৰে এজন আছিল শৰীৰ বিশেষজ্ঞ। মানবাস্থি আৰু পশুৰ অস্থি বিভিন্নতা জানিবৰ নিমিত্তে সন্মুখত থকা ৰাবেয়াৰ ভৰি কাটি দেখিবৰ নিমিত্তে ৰাবেয়াৰ আহ্বান হল। ৰাবেয়াৰ ভৰি কাটি বন্ধু কেইজনে মানবাস্থি আৰু পশুৰ অস্থি বিভিন্নতা প্ৰমাণ কৰিলে। কিন্তু আশ্চৰ্য্যৰ বিষয় ভৰি কাটিবৰ সময়ত ৰাবেয়া কোনো ৰকম যন্ত্ৰণা কাতৰতা প্ৰদৰ্শণ কৰা নাছিল। ইয়াতে বণিক এবং বণিকৰ বন্ধু কেইজন অতি আশ্চৰ্য্যান্বিত হৈছিল। এই ঘটনাৰ দ্বাৰা আমি জানিব পাৰোঁ যে সুসভ্য

ধনী গৃহস্বামীয়ে দাসদাসী বিলাকৰ প্ৰতি কি নিষ্ঠুৰ ব্যৱহাৰ কৰি থাকে। সেই যুগত দাসদাসী বিলাকক ধনী গৃহস্বামীয়ে পশুৰও অধম ব্যৱহাৰ কৰি থাকে। এই খিনিতে দেখা যায় অম্লান বদনে যেনেকৈ মানৱে পশুপক্ষীৰ জীৱন বধ কৰি কিংবা অঙ্গ কৰ্ত্তন কৰি মানৱৰ নিজৰ তৃপ্তি সাধন কৰি থাকে তেনেকৈ ধনী বণিক এবং বন্ধু কেইজনে অম্লান বদনে দাসী ৰাবেয়াৰ ভৰি কাটি আহি পৰীক্ষা কৰিছে। ধন গৰ্ব্বিত সুসভ্য মানৱৰ দুঃখীয়া নিচলা দাসদাসীৰ সুখ দুঃখ বুজিবৰ অন্তৰৰ অভাৱেই পৰিলক্ষিত হৈ থাকে। ইয়াৰ পাচত ৰাবেয়াৰ ভৰিৰ ক্ষত লাহে লাহে শুকাই গল আৰু আন আন দাসদাসীৰ লগত বণিকৰ গৃহকৰ্ম্ম সম্পাদন কৰি জীৱন যাপন কৰিবলৈ ধৰিলে।

ৰাবেয়া সাধাৰণ দাসীবৃত্তি পৰায়ণা আছিল। কিন্তু তেওঁৰ অন্তৰটি জগতৰ, হিংসা দ্বেষ, স্বাৰ্থপৰতাৰ এবং কামনা বাসনাৰ বহু উৰ্দ্ধত স্বৰ্গৰাজ্যত বিচৰণ কৰিছিল। সৰ্ব্বসাধাৰণ মানৱৰ হিংসা, দ্বেষ, স্বাৰ্থপৰতাৰ এবং কামনা বাসনাৰ ঠেক বাটত তেওঁৰ অন্তৰৰ উশাহ নিশাহ বন্ধ হৈ উঠিছিল। তেওঁৰ অন্তৰটি আছিল বিমুক্ত বিহঙ্গমৰ নিচিনা। সৰ্ব্ব জীৱৰ ভিতৰত পৰম প্ৰেমময় ভগৱানৰ অস্তিত্বই দৰ্শন কৰিছিল। জগতৰ পশুপক্ষী এবং সৰ্ব্বমানৱক তেওঁৰ অন্তৰৰ মহিমাৰ দ্বাৰা আকৰ্ষণ কৰিব পাৰিছিল। আমি পাচৰ কেইটিমান ঘটনাৰ দ্বাৰা জানিব পাৰিম। তেওঁৰ অন্তৰটি অতি মহৎ আছিল। প্ৰাণীৰ দুঃখ দেখি তেওঁ অতিশয় দুঃখিত হৈছিল। এই নিমিত্তে তেওঁ

সৰ্ব্বদাই দিনে ৰাতিয়ে প্ৰাণীগণৰ দুঃখ বিমুক্তিৰ নিমিত্তে আঁঠু কাঢ়ি হাত যোৰ কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। তেওঁৰ এই ঐকান্তিক প্ৰাৰ্থনা বিফল হোৱা নাছিল। তেওঁৰ প্ৰাৰ্থনাৰ ফলত ধন গৰ্ব্বিত বণিকৰো প্ৰভূত কল্যাণ হৈছিল।

কোন এদিন অমল ধবল কুমুদিনী জোনাক নিশা বিলাসী বণিকক নিদ্ৰা দেবীয়ে আকৰ্ষণ কৰা নাছিল। বণিক নিদ্ৰা দেবীৰ কৃপাৰ পৰা বঞ্চিত হৈ জোনাক নিশা ফুলনিত ফুৰিবলৈ গৈছিল। বণিক ফুলনিত ফুৰোঁতে ৰাবেয়াৰ ঘৰৰ ওচৰ পাই বণিক আশ্চৰ্য্য হৈ গল। বণিকে দেখিবলৈ পালে যে ৰাবেয়াৰ ক্ষুদ্ৰ ঘৰটি দেবজ্যোতিঃতে পূৰ্ণ হৈ উঠিছে। ৰাবেয়াই মাটিতে আঠু গাঢ়ি প্ৰেম গদ-গদ কণ্ঠে হাত জোৰ কৰি প্ৰাৰ্থনা কৰিছে। অবিৰল ধাৰে ৰাবেয়াৰ চকুৰ পৰা প্ৰেমাশ্ৰু ববলৈ ধৰিছে। বনিক ঘৰৰ বাহিৰত অলপ সময় তলকা মাৰি থাকি শুনিবলৈ পালে যে ৰাবেয়াই প্ৰথমে নিজৰ নিমিত্তে প্ৰাৰ্থনা কৰিছে। দ্বিতীয়তঃ বণিকৰ মঙ্গলৰ নিমিত্তে প্ৰাৰ্থনা কৰিছে। তৃতীয়তঃ দাসদাসী বিলাকৰ দুষ্কৃতিৰ নিমিত্তে প্ৰাৰ্থনা কৰিছে। চতুৰ্থতঃ জগতৰ সমস্ত প্ৰাণী বিলাকৰ মঙ্গল প্ৰাৰ্থনা কৰিছে। ইয়াৰ পাচৰ ৰাতিতেও বণিকে ৰাবেয়াৰ ঘৰৰ কাষলৈ গৈ পূৰ্ব্ব নিশাৰ আশ্চৰ্য্য ঘটনা দেখি মুগ্ধ চত্তে ঘৰলৈ উলটি আহে। দ্বিতীয় ৰাতিৰ পাচতো তৃতীয় ৰাতিতেও বণিকে ৰাবেয়াৰ ঘৰলৈ গৈ আশ্চৰ্য্য দৰ্শন কাৰ বণিকে ৰাবেয়াৰ প্ৰতি অতিশয় শ্ৰদ্ধান্বিত হৈ উঠে। ইয়াৰ পাচত এদিন বণিকে

ৰাবেয়াক মাতি কলে, "দেবী তুমি মানবী নোহোৱা, তুমি যথাৰ্থতে স্বৰ্গৰ দেবী। মই তোমাক মোৰ দাসীবৃত্তি কৰাই অপৰাধৰ ভাগীহে হৈছোঁ। আজিৰ পৰা মই তোমাক মোৰ দাসীবৃত্তিৰ পৰা মুক্তি দিলোঁ। তুমি তোমাৰ স্বেচ্ছানুসাৰে জীৱন যাপন কৰিব পাৰা।" ইয়াৰ পাচতে ৰাবেয়াই স্বাধীন-ভাৱে জীৱন যাপন কৰিবলৈ ধৰে। ৰাবেয়া দাসী হৈও ৰাবেয়াৰ বিশুদ্ধা চৰিত্ৰৰ দ্বাৰা অভিমানী ধন গৰ্ব্বিত বণিকৰ চৰিত্ৰ সংশোধন কৰি তুলিলে। অবশ্যে মানব সমাজে ৰাবেয়া এজনী সাধাৰণ দাসীৰ বাহিৰে আন হব নোৱাৰে। কিন্তু জ্ঞান ভক্তিত্বে অন্তৰৰ মহিমায় ৰাবেয়া স্বৰ্গৰ দেবীৰ ওপৰৰ মহিমময়ী ঈশ্বৰী। মহিমময়ী ৰাবেয়াৰ অন্তৰৰ মহিমাতেই ধন গৰ্ব্বিত বণিকেও ঐশ্বৰিক জ্যোতিঃ দৰ্শন পাই নিজক কৃত কৃতাৰ্থ জ্ঞান কৰিছিল।

ৰাবেয়াৰ মুখৰ পৰা অসাধাৰণ জ্ঞান ভক্তিৰ কথা শুনি ৰাবেয়াক সকলোৱে শ্ৰদ্ধা ভক্তি কৰিবলৈ ধৰে। এই সময়ত ৰাবেয়াই অনেক মানুহৰ পৰা অৰ্থ সাহায্য পাইছিল। ৰাবেয়াৰ পিতৃ মৃত্যুৰ সময়ত পানী খাবলৈ পোৱা নাছিল কাৰণে ৰাবেয়াৰ মনত এই দুঃখ আছিল। সেই নিমিত্তে ৰাবেয়া সাহায্য পোৱা অৰ্থৰ দ্বাৰা পিতৃভক্তি স্মৃতিস্বৰূপে এটি মহতী দিঘা খনাই দিয়ে। আৰব দেশত আজিও এই দিঘীটি ৰাবেয়া দিঘী নামে বিখ্যাত লাভ কৰি আছিছে।

ৰাবেয়া সাধাৰণ দাসীবৃত্তি পৰায়ণা হৈও অতি পবিত্ৰময়ী

আৰু স্নেহশীলা জননীৰ নিচিনা আছিল। ৰাবেয়াৰ অন্তৰৰ পৰা হিংসা, দ্বেষ বিদূৰিত হৈ সৰ্ব্ব প্ৰাণিৰ প্ৰতি সখ্যভাৱ হৈছিল। বনৰ পশুপক্ষী সৰ্ব্ব প্ৰাণীয়ে স্নেহশীলা জননীৰ নিচিনাকৈয়ে ৰাবেয়াৰ স্নেহলাভ কৰিছিল। বনৰ পশুপক্ষী বিলাকেও নিৰ্ভয়ে ৰাবেয়াৰ ওচৰলৈ আহে আৰু পক্ষীকুল নিৰ্ভয়ে ৰাবেয়াৰ গাত পৰি আনন্দে গান কৰি থাকে। কথিত আছে, এদিন তাপস হাসানে ৰাবেয়াৰ ঘৰলৈ আহিছিল। তাপস হাসান ৰাবেয়াৰ ঘৰ পাই দেখে যে ৰাবেয়া ঘৰৰ সন্মুখত ঠিয় হৈ আছে আৰু বনৰ পক্ষীকুল আহি ৰাবেয়াৰ গাত পৰি আনন্দে গান কৰিছে। ৰাবেয়া প্ৰত্যেকটি পক্ষীৰ গাত হাত বুলাই আদৰ কৰিছে। কিন্তু তাপস হাসানক দেখা মাত্ৰকেই বনৰ পক্ষীকুল উৰি গুচি গল। তেতিয়া তাপস হাসানে ৰাবেয়াক কলে "তুমি কোন মন্ত্ৰৰ দ্বাৰা বনৰ পক্ষীকুল বশীভূত কৰি ৰাখিছিলা। মোক দেখামাত্ৰই বনৰ পক্ষীকুল উৰি লৰ মাৰিলে।" তেতিয়া ৰাবেয়াই তাপস হাসানক সুধিলে "আপুনি আজি কি আহাৰে আহাৰ কৰিছিলে?" তাপস হাসানে উত্তৰ কৰিলে "মই আজি মঙহৰ আহাৰে আহাৰ কৰিছিলোঁ।। তেতিয়া ৰাবেয়াই কলে, "একমাত্ৰ প্ৰেমৰ দ্বাৰায় জগতৰ সৰ্ব্ব প্ৰাণীক বশীভূত কৰা যাব পাৰে। হিংসা বিদ্বেষৰ দ্বাৰা কোনো প্ৰাণীক বশীভূত কৰিব নোৱাৰি। আপুনি আজি মঙহৰ আহাৰে আহাৰ কৰিছে আৰু নিৰ্ভয়ে বনৰ পক্ষীকুল আপোনাৰ ওচৰলৈ আহিব লাগিব এইটো বৰ বেয়া কথা নহয়।"

ৰাবেয়াৰ অন্তৰখনি ঈশ্বৰীয় অপ্ৰাকৃত সৌন্দৰ্য্যই পৰিপূৰ্ণ আছিল। এই কথাটি আমি এটি ঘটনাৰ দ্বাৰায় জানিব পাৰোঁ। বসন্তকালত বচোৰাৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোৰম হৈ উঠে। এনে এটি বসন্তকালত ৰাবেয়াৰ এজনা সেৱিকাই পুষ্পগণৰ উদ্যানৰ সৌন্দৰ্য্যত মুগ্ধ হৈ ৰাবেয়াক সেই সৌন্দৰ্য্য দেখিবৰ নিমিত্তে পুনঃ পুনঃ আহ্বান কৰে। এই সময়ত ৰাবেয়া ঘৰৰ ভিতৰত অৱস্থান কৰিছিল। ঘৰৰ ভিতৰৰ পৰা ৰাবেয়াই কলে, "মই মোৰ অন্তৰত যি অপ্ৰাকৃত ঈশ্বৰীয় সৌন্দৰ্য্য দৰ্শন কৰিছোঁ, সেই অপ্ৰাকৃত ঈশ্বৰৰ সৌন্দৰ্য্যৰ লগত জগতৰ প্ৰাকৃতিক কোনো সৌন্দৰ্য্যই তুলনা হব নোৱাৰে। মই সেই অপ্ৰাকৃত ঈশ্বৰৰ সৌন্দৰ্য্য দৰ্শন কৰি মই মোৰ অস্তিত্ব পাহৰিছোঁ। এই নিমিত্তে বাহিৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মোৰ প্ৰয়োজন নাই।" ৰাবেয়াৰ জীৱনত অনেক দিব্যময় ঘটনাৰ সমাবেশ পোৱা যায়, কিন্তু বাহুল্য ভয়ত সেই বিলাক লিপিবদ্ধ কৰা নহল। মুঠতে ইয়াকে কওঁ, নাৰীকুলতিলক এই মহীয়সী নাৰীৰ জীৱন বহু বছৰ হল অতীত হৈছে। কিন্তু এই মহীয়সী নাৰী আৰব দেশৰ মৰুভূমিৰ কোনো এটি নিভৃত ডঙা পল্লীত জন্মগ্ৰহণ কৰিও তেওঁৰ মহান আদৰ্শই নাৰী সমাজক আবহমানকাল পথ প্ৰদৰ্শক হৈ আহিছে এবং আবহমান কাল পথ প্ৰদৰ্শক হৈ থাকিব।

# আহোম গাভৰু কনকা

যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।
মম বর্ত্মানুবর্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ ॥ ১১

শ্ৰীমদ্ভাগবত গীতা ৪ৰ্থ অঃ

হে পাৰ্থ! যি বিলাক (সুকৃতিবান) মানৱে, যি ভাবেই মোক ভজনা কৰি থাকে; ময়ো সেই (সুকৃতিবান) মানব সকলক সেই ভাবেই ভজনা (কৃপা) কৰি থাকোঁ। মনুষ্যগণ (আন দেব দেবী পূজা কৰিলেও সেই দেব দেৱীৰ ভিতৰে) মোৰেই ভজনা কৰি থাকে। (ময়েই সৰ্ব্ব দেবময়, অৰ্থাৎ সৰ্ব্বভূতে মোৰেই অধিষ্ঠান যেতিয়া) ময়েই সেই দেব দেবীৰ ভিতৰেদি সাধকক ফল প্ৰদান কৰি থাকোঁ।

কনকা আছিল আহোম গাভৰু। শিৱসাগৰ জিলাৰ যোৰহাট সদৰ জিলাৰ ওচৰতে হাতী বৰুৱাৰ বংশত কনকাৰ জন্ম হৈছিল কনকাই আধুনিক লিখাপঢ়াৰ কোনো শিক্ষাই পোৱা নাছিল। মুঠ কথা কবলৈ গলে কনকা আছিল নিৰক্ষৰা। যি সময়ত

কনকাৰ জন্ম হৈছিল, সেই সময়ত তিৰোতাৰ পৰ্দা প্ৰথাটিৰ প্ৰচলন আছিল। সেই নিমিত্তে সেই সময়ত পুৰুষৰ বাহিৰে তিৰোতাৰ লিখাপঢ়াৰ শিক্ষাটি দুষনীয় বুলিয়েই সমাজৰ প্ৰথা আছিল: যদিও কনকা আধুনিক শিক্ষা পোৱা নাছিল কিন্তু কনকাৰ ঘৰৰ আদৰ্শ তিৰোতাৰ ঘৰ গৃহস্থালীৰ কামবনৰ শিক্ষাৰ অভাৱ নাছিল। আগৰ দিনত তিৰোতাৰ সমাজত লিখাপঢ়াৰ প্ৰচলন নেথাকিলেও আদৰ্শ জননী এবং আদৰ্শ তিৰোতা হৈ ঘৰ গৃহস্থালীৰ কামবনৰ শিক্ষা ছোৱালী বিলাকে মাক, খুড়ীয়েক কিম্বা জেঠাইমাকৰ পৰাই যথেষ্টৰূপে শিক্ষা পাই থাকে। কনকাও এই ৰকম পাৰিপাৰ্শ্বিকৰ ভিতৰেদি ডাঙৰ দীঘল হৈ বিবাহৰ উপযুক্তা হৈ উঠে।

গোলাঘাটৰ নগৰৰ ওচৰতে আহোম ৰাজবংশৰ এজন ৰাজ কোঁৱৰৰ লগত কনকাৰ বিবাহ হয়। বিবাহৰ পাচত কনকাৰ বেচ আনন্দে দিন যাবলৈ ধৰে। কিন্তু এবছৰ নৌ পাৰ হওঁতেই কনকাৰ কপাল ভাঙিল। কনকাৰ স্বামী তিনি দিনৰ জ্বৰত অজ্ঞান হৈ ইহলোক এৰি পৰলোকলৈ গমন কৰিলে। কনকা বিধবা হল। কনকাই কপালৰ সিন্দুৰ মোহাৰি যোৰহাটৰ গাঁৱৰ ককায়েকৰ ঘৰলৈ উলটি আহিল। ককায়েকে কোনো এখন চাহাব কোম্পানীৰ চাহ বাগিছাত বৰ কেৰেণীৰ কাম কৰে। ককায়েকৰ ঘৰত ককায়েক, বৌয়েক আৰু ককায়েকৰ তিনি চাৰিটি লৰা। আহোম সমাজৰ প্ৰথামতে কনকা পুনৰ বিবাহ কৰিব পাৰিলেহেঁতেন। কনকাৰ সন্তানাদিও হোৱা

নাছিল। তথাপিতো হিন্দু বিধবাৰ ধৰ্ম্মানুসাৰে কনকা আৰু পুনৰ বিবাহ নকৰিলে। কনকা ককায়েকৰ ঘৰত থাকি ধৰ্ম্ম কৰ্ম্মে মতি দিবলৈ ধৰিলে। সঁচাকৈয়ে কনকাৰ ভক্তিতে ভক্তাধীন ভগবানৰ অতুল কৰুণা কনকাৰ ওপৰত বৰ্ষিত হল। কনকা মানৱ স্বামীক হেৰুৱাই জগত স্বামীৰ কৰুণা পাই নিজক কৃত কৃতাৰ্থ জ্ঞান কৰিলে। কনকা এদিন ৰাতি সপোনত কৈলাস শিখৰপতি অমল ধবল কান্তি মহাদেৱৰ দৰ্শন পালে। মহাদেৱে সস্নেহে কনকাক জগত স্বামীক নিজৰ স্বামীৰূপে পোৱাৰ উপায় স্বৰূপ মন্ত্ৰ দিলে। আৰু কলে, "তই ৰামায়ণ, মহাভাৰত, কীৰ্ত্তন, ঘোষাদি ধৰ্ম্মপুথি বিলাক পঢ়িবি। সাধু সঙ্গ কৰিবি।" কনকাই কলে, "প্ৰভু মই অবলা তিৰোতা কেনেকৈ মই ৰামায়ণ, মহাভাৰত কীৰ্ত্তন, ঘোষাদি ধৰ্ম্ম পুথি বিলাক পঢ়িম।" তেতিয়া মহাদেৱে কলে, "মই তোক বৰ দিছো তই অলপমান লিখাপঢ়াৰ চেষ্টা কৰিলেই লিখাপঢ়া কৰিবলৈ শিকিব পাৰিবি।" ইয়াৰ পাচতে অমল ধবল সৌম্যকান্তি মহাদেৱ অন্তৰ্দ্ধান কৰিলে। কনকাও ততালিকে চকুমক্ খাই সাৰ পালে।

ইয়াৰ পাছৰ পৰা কনকা মহাদেৱ দত্ত মন্ত্ৰ যথাবিধি জপ কৰিবলৈ ধৰে। মহাদেৱৰ উপদেশানুসাৰে কনকা লিখাপঢ়াৰ চৰ্চ্চা কৰিবলৈ ধৰে। অলপ দিনৰ ভিতৰতে ধৰ্ম্মপুথি বিলাক কনকাই ভালকৈয়ে পঢ়িব পৰা হল। মহাদেৱৰ কৃপাই কনকাই ধৰ্ম্ম জ্ঞান, ভক্তি লাভ কৰি জগত স্বামীৰ লগত নিজৰ স্বামীৰ

গাক নিজকে অভেদৰূপে দৰ্শন পাই নিজৰ জীৱনক কৃত কৃতাৰ্থ জ্ঞান ক'ৰিলে।

# দামোদৰ

অনন্যাশ্চিন্তয়ন্তো মাং যে জনাঃ পৰ্য্যুপাসতে।
তেষাং নিত্যাভিযুক্তানাং যোগক্ষেমং বহাম্যহম্ ॥ ২২
শ্ৰীমদ্ভাগৱত গীতা ৯ম অঃ

(য বিলাকে (সাধকে) অনন্য মনে চিন্তা কৰি মোৰ আৰাধনা ক'ৰ সৰ্ব্বদাই মোতে ঐকান্তিকতা লাভ কৰি থাকে মই সেই সকলৰ (সাধকৰ) যোগক্ষেম বহন কৰি থাকোঁ। অৰ্থাৎ মই সেই সকল শুদ্ধচিত্ত সাধকক সুবুদ্ধি প্ৰদান কৰি থাকোঁ যাৰ দ্বাৰা সেই সকল সাধকে এই দুস্তৰ সংসাৰ সমুদ্ৰ অনায়াসে তৰিব পাৰে বা আমাৰ পৰম ধাম লাভ কৰি থাকে।)

শিৱসাগৰ জিলাৰ নামদাংনৈৰ শিলৰ সাঁকোৰ ওচৰতে এখনি গাওঁ আছে। গাঁৱৰ অধিবাসী প্ৰায় চকুৰি ঘৰমান হব। সাধাৰণতঃ এই গাঁৱৰ অধিবাসী সকল মৎস্যজীবি। এই

গাঁৱত দামোদৰ নামে এজন মানুহ আছিল। দামোদৰৰ বাপেক মাক নাছিল। দামোদৰৰ তিৰোতা আৰু এটি লৰা আছিল। দামোদৰে নামদাং নৈত মাছ ধৰে বিক্ৰয় কৰি যি অলপ অচৰপ পায় তাতেই তিনটি প্ৰাণীৰ ভৰণ পোষণ হৈ থাকে। দামোদৰ খুব সৎস্বভাৱৰ, ঈশ্বৰ পৰায়ণ আৰু ঈশ্বৰৰ প্ৰতি প্ৰগাঢ় ভক্তি আছিল। দামোদৰ উচ্চ বিদ্যালয়ত শিক্ষা পোৱা নাছিল। গাঁৱৰ অধস্তন বিদ্যালয়ৰ সামান্য লিখা পঢ়া কৰিছিল। অধস্তন বিদ্যালয়ৰ লিখাপঢ়াৰ দ্বাৰা দামোদৰে শ্ৰীমন্ত শঙ্কৰ মাধৱৰ কীৰ্ত্তন ঘোষা, ৰামায়ণ, মহাভাৰত পুৰাণ আদি ধৰ্ম্মপুথি বিলাক পঢ়িব পাৰে আৰু পঢ়ে। দামোদৰে ঘৰত এটি গোঁসাই ঘৰ কৰি তাত নাম কীৰ্ত্তনৰ থাপনা থাপন কৰিলে। সেই থাপনাত তেওঁ এগছি গিঁউৰ সলিতা লগাই পুৱা গধূলি নিয়মিত ঈশ্বৰৰ নাম কীৰ্ত্তন কৰি থাকে। এই ৰকমে দামোদৰে ঈশ্বৰৰ নাম কীৰ্ত্তন কৰি থাকোঁতে তেওঁৰ মনত ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধা ভক্তিৰ সঞ্চাৰ হবলৈ ধৰিলে।

এই সময়তে এদিন দামোদৰৰ লৰা তিৰোতা হাইজা বেমাৰত পৰি পৰলোক প্ৰাপ্তি ঘটিল। ইয়াৰ নিমিত্তে দামোদৰৰ মনত দুঃখ বেজাৰ নাই। কিয়নো তেওঁ এতিয়া নিঃকণ্টকে ঈশ্বৰৰ নাম কীৰ্ত্তনে বিভোৰ হৈ থাকিব পাৰিব। ঈশ্বৰৰ নাম কীৰ্ত্তনে দামোদৰ আহাৰ নিদ্ৰা পাহৰিলে, নিজকো পাহৰিলে। তেওঁৰ নিজৰ আহাৰৰ চেষ্টা মুঠেই নাইকিয়া হল। এই সময়তে এদিন দামোদৰ দেখিবলৈ পালে আকাশ ভেদ

ক'ৰ এজন জ্যোতিৰ্ম্ময় মহাপুৰুষ তেওঁৰ ওচৰলৈ ধীৰে ধীৰে নামি আহিছে। মহাপুৰুষ ধীৰে ধীৰে আহি দামোদৰৰ ওচৰত ঠিয় হলহি আৰু দামোদৰ অসাধাৰণ মহাপুৰুষ জ্ঞানে সেৱা জনালে। মহাপুৰুষ জনে দামোদৰৰ কাণে কাণে ঈশ্বৰীয় নাম শুনাই কলে, "তুমি ঈশ্বৰীয় নাম জগতত প্ৰচাৰ কৰা।" এই কথা কৈয়ে মহাপুৰুষ জন ধীৰে ধীৰে আকাশৰ উপৰলৈ উঠি শূন্যত মিলাই গল।

ইয়াৰ পাছৰ পৰা দামোদৰৰ আহাৰ নিদ্ৰাৰ চেষ্টা মুঠেই নাইকিয়া হল। কিন্তু প্ৰত্যেকদিন দামোদৰে ঘৰৰ ভিতৰত প্ৰচুৰ পৰিমাণে গাখীৰ দেখিবলৈ পায় থাকে। সেই গাখীৰ খাই তেওঁ জীৱন ধাৰণ কৰি থাকে। এদিন সেই গাঁৱৰ এজন মানুহে দামোদৰক সুধিলে "প্ৰত্যেকদিন তোমাৰ ঘৰলৈ যে দুটি লৰাই গাখীৰ আনে সেই লৰা দুটি কোন। কৰ পৰা লৰা দুটি আহে। লৰা দুটি দেখিবলৈ বৰ সুন্দৰ এটি ক'লা আনটি বগা।" এইকথা শুনি দামোদৰ খুব আশ্চৰ্য্য হল। দামোদৰে জানিব পাৰিলে যে আন কেও এই লৰা দুটি নহয়। একমাত্ৰ কৃষ্ণ বলৰামেই গোপ বালক বেশধাৰী তেওঁৰ আহাৰ যোগাই থাকে। তেতিয়া তেওঁ মানুহজনক কলে "তুমিয়েই ভাগ্যবান যই ইমান সাধ্য সাধনা কৰিও সেই যোগীজন বাঞ্চিত পৰম পুৰুষ দুয়ৰ সাক্ষাৎ লাভ কৰিব পৰা নাই। তুমি সাধ্য সাধনা নকৰাকৈয়ে সেই পৰম পুৰুষ দুয়ৰ সাক্ষাৎ লাভ কৰিলা। এই কথা কৈয়ে দামোদৰে চকুৰ পানীৰে বুকু

তিয়াবলৈ ধৰিলে দামোদৰ সেই দিনাৰ পৰা নিজৰ আহাৰৰ চেষ্টা কৰিবলৈ ধৰিলে। কিয়নো তেওঁ তেওঁৰ প্ৰেমাস্পদ পুৰুষদ্বয়ক তেওঁৰ সামান্য আহাৰৰ নিমিত্তে কষ্ট দিছে। ইয়াৰ পাচৰ পৰা দামোদৰে সকলোকে ঈশ্বৰৰ নাম মাহাত্ম্য বুজাই নাম কীৰ্ত্তন কৰিবলৈ উপদেশ দিবলৈ ধৰিলে। দামোদৰৰ ঈশ্বৰীয় জ্ঞান ভক্তিৰ কথা আৰু সুমধুৰ উপদেশ শুনি সকলোৱে তেওঁক শ্ৰদ্ধা ভক্তি প্ৰদৰ্শন কৰিবলৈ ধৰিলে।

---

# মহাশক্তিৰ স্বৰূপ

"অসতঃ মা সৎ গময়" "তমসঃ মা জ্যোতিঃ গময়"
"মৃত্যোঃ মা অমৃতং গময়।"

"মোক মৃত্যুৰ পৰা অমৃতত লৈ যোৱা।" অৰ্থাৎ মোক অমৰ কৰ, "তমঃ অৰ্থাৎ অজ্ঞানাত্মক মৃত্যুৰ পৰা জ্যোতিঃৰূপ অমৃতত লৈ যোৱা।" অৰ্থাৎ মোক অমৃত কৰা। "মৃত্যুৰ পৰা মোক অমৃতত লৈ যোৱা। বৃহদাৰণ্যকোপনিষদ।

দুৰ্গেশ্বৰ ভট্টাচাৰ্য্য এজন আছিল বৰ ডাঙৰ ডাক্তৰ। তেওঁ তেজপুৰৰ সদৰ মহকুমাত স্বাধীনভাৱে ডাক্তৰী কৰে আৰু বেচ দুপইচা উপাৰ্জ্জন কৰি থাকে। তেওঁৰ পত্নী হেমাঙ্গিনী দেৱীও

ছোৱালী হাই স্কুলৰ হেডমিষ্ট্ৰেচ্। হেমাঙ্গিনী দেৱী বেচ লকতকৈয়ে বেতন পাই থাকে। আৰু স্কুলৰ উন্নতিতে তেওঁৰ সুনাম সুযশ আছে। দুৰ্গেশ্বৰ ভট্টাচাৰ্য্য বছৰে বছৰে দুৰ্গোৎসৱ কৰি থাকে। এই বছেৰেকীয়া দুৰ্গা পূজাটি ভাট্টাচাৰ্য্য বংশৰ কিমান পুৰুষৰ পৰা চলি আহি আজি দুৰ্গেশ্বৰৰ, পুৰুষত পৰিছেহি সেই কথা দুৰ্গেশ্বৰেও নেজানে কিম্বা আন ওচৰ চুবুৰীয়াইও নেজানে।

সেই বছৰ হঠাৎ শুনা গল বৰ্ম্মা দেশত জাপানী বোমা পৰি বৰ্ম্মা দেশৰ অগণন মানুহ মৰা পৰিছে আৰু জাপানে গোটেই বৰ্ম্মা দেশখন বৃটিচৰ পৰা অধিকাৰ কৰি ললে। বৃটিচ ৰাজ্যত যুদ্ধৰ নিমিত্তে কাচি পাৰি সাজি ওলাবলৈ জোলপাৰ লাগি গল। ইংৰাজ ৰাজ্যৰ চাৰিও ফালৰ পৰা তৰুণৰ দল যুদ্ধৰ নিমিত্তে বাহিৰ হৈ পৰিল। যুদ্ধৰ নিমিত্তে গোটেই ভাৰতবৰ্ষত খাদ্য সমস্যা, বস্ত্ৰ সমস্যাই দেখা দিলে। সেই যুদ্ধৰ সময়ত ভাৰতবৰ্ষৰ আন আন প্ৰদেশতকৈ আসাম প্ৰদেশতে অন্ন আৰু বস্ত্ৰ সমস্যাটি অনেক পৰিমাণে সুলভ আছিল। এই নিমিত্তে হউক কি যি কোনো কাৰণেই হওক পশ্চিম ফালৰ পৰা অনেক ভিক্ষুক আহি আসামৰ গাঁৱে নগৰে ভিৰ জমাবলৈ ধৰিলে।

সেই বছৰ শৰতকালৰ আহিনত জগত জননীৰ পূজা আহিল। দেশৰ এনেকুৱা দুৰ্দ্দিনতো অন্ন সমস্যা, বস্ত্ৰ সমস্যা এবং অৰ্থসঙ্কটৰ দিনতো জগত জননীৰ ভক্ত সকলৰ, জগত

জননীৰ পূজা বাদ দিবলৈ মনে নেমানিলে। কিনো সত্তেৰে বা পৰমেশ্বৰী আইৰ পূজাটি বাদ দিয়ে। একনিষ্ঠ পৰমেশ্বৰীৰ ভক্ত সকলৰ হৃদয়ত পৰমেশ্বৰী আইৰ পূজা বাদ দিলৈ অত্যন্ত আঘাত লাগে। কিয়নো বছৰৰ ভিতৰত চাৰিদিন মাত্ৰ জগতজননী ত্ৰৈলোক্যেশ্বৰী, অন্নপূৰ্ণেশ্বৰীৰ পূজাত আমোদ অহ্লাদ কৰা হৈ থাকে। ভক্ত ভগবানৰ ভক্তিৰ সোঁতত পৰিয়েই হওক কিম্বা পুৰুষানুক্ৰমিক ঘৰৰ বছেৰেকীয়া পূজাৰ কাৰণেই হওক দুৰ্গেশ্বৰ ভট্টাচাৰ্য্যও সেই বছৰ শৰতকালৰ দুৰ্গা পূজা কৰিবলৈ ওলাল।

আজি ষষ্ঠী। জগত জননীৰ প্ৰতিমা স্থাপন কৰা হৈছে। পূজাৰ জগতজননীৰ দহ হতীয়া ৰঙা পাৰি লগা শাৰী কাপোৰ আন আন পূজোপকৰণ খাদ্য সামগ্ৰী অনা হৈছে। নিমন্ত্ৰিতৰ সংখ্যাও কম নহয়। ষষ্ঠী, সপ্তমী, মহাষ্টমীৰ পূজা পাৰ হৈ গল। আজি নৱমীৰ পূজা। পূজাৰ মণ্ডপত পূজাৰ আয়োজন হৈছে। এই সময়তে এজনী ভিক্ষাৰিণী আহি ভট্টাচাৰ্য্যৰ ঘৰৰ সম্মুখত কৰলৈ ধৰিলে “মা দুটি নুন পান্তা দিবেন। মা, দুটি নুন পান্তা দিবেন। আজি দুদিন যাবৎ একটি অন্ন পেটে দিতে পাইনি।” ঘৰৰ সন্মুখত এই ৰকম পুনঃ পুনঃ অহ্বানে ভট্টাচাৰ্য্যৰ পত্নী হেমাঙ্গিনী দেবী ঘৰৰ বাহিৰ হৈ দেখে যে এজনী ভিক্ষাৰিণী কাষত সদ্যস্নাত চিকা পোৱালীৰ নিচিনা এটি লৰা লৈ ঘৰৰ সম্মুখত ঠিয় হৈ আছে। ভিক্ষাৰিণীৰ গাত শত তাপলী লগা এখনি বস্ত্ৰৰ বাহিৰে

দ্বিতীয় বস্ত্র নাই। ভিক্ষাৰিণীৰ কাষৰ লৰাটিও বুকুৰ কামি হাড় ওলোৱা তুমহীয়া মেলেৰিয়াগ্ৰস্ত তিতিবুৰি থকা চিকাৰ পোৱালীৰ নিচিনা। ভিক্ষাৰিণী খাবলৈ নেপাই শুকাই খীনাই অস্থি চৰ্ম্ম সাৰ মাত্ৰ বাকী আছে। হেমাঙ্গিনী দেৱীক ভিক্ষাৰিণী দেখিবলৈ পাই দুটি খাবলৈ পোৱাৰ আশাৰে বেচিকৈ উৎসাহ ভৰে কবলৈ ধৰিলে, "মা, দুটি নুনপান্তা দিবেন। মা, দুটি নুনপান্তা দিবেন। আজ দুদিন খেতে পাইনি। পেটেৰ এই ছৱালটিকেও খেতে দিতে পাৰিনি।" হেমাঙ্গিনী দেৱীয়ে এই বুভুক্ষুৰ দৃশ্য দেখি আৰু স্থিৰ থাকিব নোৱাৰিলে। তেওঁ নিজেই পূৰ্ব্ব দিনৰ মহাষ্টমী পূজাৰ নিমন্ত্ৰিতক খুউৱা লুচি, মিষ্টান্ন আলুৰ দম, বুটৰ দাইল, আলু ভাজি, পটল ভাজি, টেঙা আঞ্জা শাক, তৰকাৰী, দৈ, ৰসগোল্লা, সন্দেশ, কচুৰী নিমকী, বুন্দিয়া, ত পালে সকলো বিলাক আনি এখনি কলৰপাত পাৰি ভিক্ষাৰিণী আৰু তাইৰ লৰাটিক নিজে ভিক্ষাৰিণীৰ সন্মুখত াহি খুৱাবলৈ ধৰিলে। হেমাঙ্গিনী দেৱীয়ে আনন্দোজ্জ্বল মুখে ভিক্ষাৰিণীক এই বিলাক খাদ্য সামগ্ৰী খুৱাবলৈ ধৰিলে, ভিক্ষাৰিণীও হেমাঙ্গিনী দেৱীৰ প্ৰতি কৃতজ্ঞতাৰ দৃষ্টি লৈ হেমাঙ্গিনী দেৱীৰ প্ৰদত্ত খাদ্য সামগ্ৰী বিলাক নিজে পৰম পৰিতোষ সহকাৰে খাবলৈ ধৰিলে আৰু লৰাটিকো খুৱাবলৈ ধৰিলে। খোৱা শেষ হোৱাৰ পাছত ভিক্ষাৰিণীয়ে চুৱা পাতখন পেলাবলৈ উঠাওতে হেমাঙ্গিনী দেৱীয়ে চুৱাপাতখন পেলাবলৈ নিষেধ কৰিলে। কলে যে "পাত পেলোৱা আন মানুহ আছে।"

তেতিয়া ভিক্ষাৰিণীয়ে কলে যে “তাই জাতিত মুছলমান।” তেতিয়া হেমাঙ্গিনী দেবীয়ে কলে “তাতে কি? মুছলমান মানুহ নহয় নে কি?” খোৱাৰ পাচত হেমাঙ্গিনী দেবীয়ে ভিক্ষাৰিণীক পিন্ধিবৰ নিমিত্তে জগতজননীৰ নৱমী পূজাৰ ৰৰণৰ ৰঙা পাৰি লগা শাড়ী কাপোৰখনকে আনি দিলেহি। আৰু লৰাটিৰ নিমিত্তে এটি ছোলা দিলে। ভিক্ষাৰিণী যাতে দুদিন অভাৱত পৰি খাব পাৰে তাৰ নিমিত্তে হেমাঙ্গিনী দেবীয়ে এটি দহ টকাৰ নোটও দিলে। এনে সময়ত ভট্টাচাৰ্য্য মহাশয় জগতজননীৰ পূজাৰ ৰৰণৰ শাড়ী কাপোৰখন নিবলৈ আহি দেখে যে শাড়ী কাপোৰখন থোৱা ঠাইৰ পৰা অন্তৰ্দ্ধান কৰিছে। তেতিয়া ভট্টাচাৰ্য্যই পত্নী হেমাঙ্গিনী দেবীক সুধি জানিব পাৰিলে যে সেই শাড়ীখনি ভিক্ষাৰিণীক দিয়া হৈছে। এই কথা জানিব পাৰি ভট্টাচাৰ্য্যৰ অলপ ক্ৰোধৰ সঞ্চাৰ হল আৰু পত্নীক দুটি কটু কথাও শুনাই থাকে।

নৱমীৰ নিশা সপোনত ভট্টাচাৰ্য্যই দেখিবলৈ পালে যেন সেই দিনা বিজয়া দশমী। আজি দশমীৰ পূজা শেষ। জগত জননীৰ প্ৰতিমা বিসৰ্জ্জন দিব লাগিব। ভট্টাচাৰ্য্য প্ৰতিমাৰ সন্মুখত ভূমিষ্ঠ হৈ কান্দি কান্দি পূজাৰ সকলো দোষ মৰিষণ কৰিবলৈ প্ৰাৰ্থনা কৰিছে। গৃহৰ যাহাতে কোনো অকল্যাণ নহয় তাৰ নিমিত্তে প্ৰাৰ্থনা কৰিছে। এই সময়তে ভট্টাচাৰ্য্যৰ প্ৰতিমাৰ ফালে চকু পৰাত দেখিলে জগতজননীৰ শ্ৰীঅঙ্গত নৱমীৰ পূজাৰ ৰৰণৰ ৰঙা পাৰি লগা শাড়ী কাপোৰখনি।

বিখন কাপোৰ হেমাঙ্গিনী দেবীয়ে ভিক্ষাৰিণীক দান দিছিল।
এই সময়তে জগতজননীয়ে ভট্টাচাৰ্য্যকন্যাস্য বিকশিত হৈ মুকুতাসদৃশ দন্তপংক্তি বাহিৰ কৰি স্নেহবিগলিত হৈ অমৃতময়ী বাক্যৰ দ্বাৰা কলে "মই এই শাড়ীখনিৰ দ্বাৰা যিমান সন্তুষ্ট হৈছোঁ। আন কোনো বস্তুতে ইমান সন্তুষ্ট হোৱা নাই।" ইয়াৰ পাচতে ভট্টাচাৰ্য্যৰ নিদ্ৰা ভঙ্গ হল।

ৰাতিপুৱা এই সপোনৰ কথা ভট্টাচাৰ্য্যই পত্নী হেমাঙ্গিনী দেৱীক কোৱাত হেমাঙ্গিনী দেবীয়ে কলে "মহাশক্তিৰূপিনী আই যে আমাৰ অনন্তৰূপিনী বিশ্বৰূপা। মহাশক্তিৰূপিনী বিশ্ব জননী ৰূপ-বিবৰ্জ্জিত হৈও সেই বিশ্বজননীয়েই অনন্ত জীব জগত-ৰূপে বিশ্বৰূপ ধাৰণ কৰিছে। জগতে যত স্থাবৰ জঙ্গম ভেদে প্ৰাণী দেখা যায় সকলো বিশ্বজননীৰেই মূৰ্ত্তি। ভিক্ষাৰিণী ৰূপে যি তিৰোতা জনী নবমীৰ দিন আমাৰ ঘৰত আহিছিল তাইও বিশ্বজননীৰেই মূৰ্ত্তি। ভিক্ষাৰিণী আৰু ভিক্ষাৰিণীৰ লৰাটিক দিয়াত বিশ্বজননীৰেই পূজা কৰা হৈছে। বৰং তেলী মূৰত তেল দিয়াতকৈ অতেলা জপৰা মূৰত তেল দিলেহে বিশ্বজননীৰ পূজা কৰা হৈ থাকে; আৰু ইয়াতেই বিশ্বজননী সন্তুষ্ট লাভ কৰি থাকে। তুমি আজি সপোনত বিশ্বজননীৰ দয়াময়ী মূৰ্ত্তিটিয়েই দেখিবলৈ পাইছা। বিশ্বজননী তোমাৰ কি কেবল এখনি প্ৰতিমাৰ ভিতৰতেই বিৰাজ কৰিছে। এখনি প্ৰতিমাৰ ভিতৰত বিশ্বজননীক দেখিলে তাকে কয় কূপোদক জ্ঞান। বিশ্বজননী সৰ্ব্ব ব্যাপিনী বিশ্বৰূপা। চণ্ডীৰ "যা দেবী

সৰ্ব্বভুতেষু সংস্থিতা।" এই জ্ঞানক তোমাৰ এখনি প্ৰতিমাৰ ভিতৰত বিশ্বজননীৰ বিৰাজিতা দেখিলে খণ্ডিত কৰা হৈ থাকে। আহা, আমি আজিৰ পৰা সৰ্ব্বভুতে সেই জগদীশ্বৰীক দৰ্শন কৰি দুঃখীৰ দুঃখ মুক্তিৰ কামনায় আমাৰ দেহ মন উৎসৰ্গ কৰোঁ। তেনে হলেইতো আমি আমাৰ আমিত্বক সৰ্ব্বভুতে দৰ্শন পাই বিভুত্ব লাভ কৰিব পাৰোঁ।

ওঁ জয়গুৰু

# সদ্‌গুৰু

# শ্ৰীশ্ৰীনিগমানন্দ জীৱনী প্ৰসঙ্গ

যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভবতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্॥ ৭
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে॥ ৮

শ্ৰীমদ্ভাগবত গীতা ৪ৰ্থঃ অঃ।

হে ভাৰত যি যি সময়ত ধৰ্ম্মৰ গ্লানি এবং অধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ হৈ থাকে (অৰ্থাৎ মানবগণ সৎপথ বা ধৰ্ম্মপথ পৰিত্যাগ কৰি বিপথত বা অধৰ্ম্মৰ পথত পৰিচালিত হৈ থাকে) সেই সেই সময়ত মই নিজক সৃষ্টি কৰি থাকোঁ। (অৰ্থাৎ মই জৰা, মৰণ ৰহিত অবিনাশী অনন্ত স্বৰূপ হৈও শান্ত মানবৰূপে অৱতীৰ্ণ হৈ থাকোঁ।) ৭

ধৰ্ম্ম পৰায়ণ মানবগণৰ পৰিত্ৰাণ কৰি দুষ্কৰ্ম্ম পৰায়ণগণৰ বিনাশ কৰি (অৰ্থাৎ অধৰ্ম্মক বিনাশ কৰি ধৰ্ম্মক ৰক্ষা কৰি) ধৰ্ম্ম

সংস্থাপনৰ নিমিত্তে (অৰ্থাৎ মানৱগণক সৎ বা ধৰ্ম্মপথত পৰিচালিত কৰিবৰ নিমিত্তে) যুগে যুগে (সেই সময়ত) মই নিজক আবিৰ্ভূত কৰি থাকোঁ। ৮

সদগুৰু শ্ৰীশ্ৰীস্বামী নিগমানন্দ সৰস্বতী পৰমহংসদেৱ বিংশ শতাব্দীৰ যুগাৱতাৰ বা মহামানৱ ৰূপে অৱতীৰ্ণ হৈ থাকে। জ্ঞানীগুৰু, প্ৰেমিকগুৰু যোগীগুৰু, মায়েৰ কৃপা, গাৰ্হস্থ আৰু সন্ন্যাস আশ্ৰমৰ মূল ভেটি স্বৰূপ আত্ম গঠন, জীৱন গঠনমূলক ব্ৰহ্মচৰ্য্য সাধন আদি তেওঁৰ সাধন সমুদ্ৰৰ ৰত্নস্বৰূপ গ্ৰন্থ বিলাকে মানৱ জাতিক সুশীতল ছায়া প্ৰদান কৰি আহিছে এবং আবহমানকাল কৰি থাকিব। তেওঁৰ জীৱনটি অলৌকিকময় এবং অত্যাশ্চৰ্য্যৰে পৰিপূৰ্ণ। এওঁ বঙ্গদেশৰ নদীয়া জিলাৰ মেহেৰপুৰ মহকুমাৰ কুতুৰপুৰ গাৱঁৰ ভুবন মোহন চট্টোপাধ্যায়ৰ ঔৰসত মানিক সুন্দৰী দেৱীৰ গৰ্ভত ১২৮৭ সালৰ চাৰি ভাদ ঝুলন পূৰ্ণিমা তিথিত জন্মগ্ৰহণ কৰি থাকে। এওঁৰ পিতৃ ভুবন মোহন চট্টোপাধ্যায় অতিশয় ধাৰ্ম্মিক আৰু ঈশ্বৰ পৰায়ণ আছিল; আৰু মাতৃদেৱী মানিক সুন্দৰী দেৱীও সতীসাধ্বী, অতিশয় ধাৰ্ম্মিকা, ঈশ্বৰ পৰায়ণা আৰু দুঃখীয়া নিচলাৰ প্ৰতি স্নেহশীলা জননী স্বৰূপা আছিল। দুঃখীয়া নিচলা কোনো ভিক্ষাৰী মানিক সুন্দৰী দেৱীৰ ওচৰত কোনো দিন বিমুখ হোৱা নাছিল। ভুবন মোহন চট্টোপাধ্যায়ৰ ঘৰত বাৰ মাহত তেৰপাৰ্ব্বণ পূজা সেৱাদি চলি থাকিছিল। দম্পতিযুগল কাশাৰ বিশ্ববিশ্ৰুত যোগীৰাজ ভাস্কৰানন্দ স্বামীৰ পৰম ভক্ত

আছিল। ব্ৰাহ্মণ দম্পতিযুগল বিবাহৰ পাচত বহুত দিনলৈকে পুত্ৰ মুখ সন্দৰ্শন কৰা নাছিল। এই নিমিত্তে দম্পতিযুগল অতিশয় দুঃখিত হৈছিল আৰু পুত্ৰমুখ সন্দৰ্শন কৰিবলৈ ব্যাকুল হৈ উঠিছিল। স্নেহবৎসলা মাণিক সুন্দৰী দেৱীয়ে এটি পুত্ৰ মুখ সন্দৰ্শন কৰিবৰ আশাৰে দেৱ মন্দিৰ বিলাকত পূজা দিবলৈ ধৰিছিল। কোনো এদিন শুভ দিনৰ শুভ তিথিত মাণিক সুন্দৰী দেৱীয়ে শিৱ মন্দিৰত পুত্ৰ কামনাৰে পূজা দি আহি ভাগৰ লগাত, জিৰণিৰ নিমিত্তে নিদ্ৰা দেৱীৰ ক্ৰোড়ত আশ্ৰয় গ্ৰহণ কৰিছিল। নিদ্ৰাৰ ভিতৰত মাণিক সুন্দৰী দেৱীয়ে সপোনত দেখিবলৈ পালে যেন, অমল ধৱল কান্তি দেৱাদিদেৱ মহাদেৱ আহি তেওঁক কৈছে, "মই তোমাৰ পুত্ৰৰূপে জন্মগ্ৰহণ কৰি থাকিম" ইয়াৰ পাচত তেওঁৰ সপোন ভাগি গল আৰু ততালিকে তেওঁ সাৰ পালে। এই শুভস্বপ্ন দেখাৰ পাচৰ পৰাই মাণিক সুন্দৰী দেৱীৰ গৰ্ভ লক্ষণ প্ৰকাশ পাবলৈ ধৰিলে।

মানিক সুন্দৰী দেৱীয়ে এই অসামান্য দেৱকাৰ্য্য সাধনৰ নিমিত্তে অৱতীৰ্ণ পুৰুষক গৰ্ভত ধাৰণ কৰি তেওঁৰ অন্তৰখনি স্বাভাৱিক বিমল, আনন্দে পৰিপূৰ্ণ হৈ উঠিছিল। এই সময়ত তেওঁৰ চিত্তশুদ্ধ হৈ চিত্ত অতীন্দ্ৰিয় ভূমিত বিচৰণ কৰি থাকিছিল। তেওঁৰ সহজে ঈশ্বৰানুভূতি আৰু দৈবানুভূতি হবলৈ ধৰিছিল আৰু অন্তৰখনি মহিমময়ী ভাৱত পূৰ্ণ হৈ উঠিছিল। তেওঁৰ ওচৰলৈ দেৱতা বিলাকৰ আগমন হৈ আছিল আৰু তেওঁৰ দেহৰ পৰা যেন দিব্য গন্ধ বিকীৰ্ণ হৈছিল।

দহমাহ দহদিন গৰ্ভত ধাৰণ কৰাৰ পাচত মানিক সুন্দৰী দেবীৰ তেওঁৰ পিত্ৰালয় ৰাধাকান্তপুৰত সুলক্ষণাক্রান্ত দশোদিক উজ্জ্বল কৰি এটি পুত্ৰ সন্তান প্ৰসৱ কৰে। যাৰ মুখৰ এৱং অঙ্গ জেউতিতে নবজাত শিশু দৰ্শকমণ্ডলী স্নেহ এবং আনন্দত আপ্লুত হৈ উঠিছিল। গ্ৰহাচাৰ্য্য নব জাতকৰ নাম ৰাখিলে নলিনীকান্ত। জ্যোতিৰ্ব্বিদ্ জোতিষ গণনাৰ দ্বাৰা কোষ্ঠীৰ ফলাফল জনাই ভবিষ্যত বাণী কৰিছিল যে, ভবিষ্যতে এই বালক গাৰ্হস্থ্যাশ্ৰম পৰিত্যাগ কৰি সন্ন্যাসাশ্ৰম গ্ৰহণ কৰিব; আৰু সৰ্ব্ব মানবৰ সৰ্ব্ব প্ৰাণীৰ কল্যাণপ্ৰদ শুকভাবৰ বিকাশ হব।” পুত্ৰবৎসল ভুবন মোহন চট্টোপাধ্যায় আৰু পুত্ৰবৎসলা মানিক সুন্দৰী দেবীয়ে পুত্ৰৰ ভবিষ্যতে সন্ন্যাসাশ্ৰমৰ কথা জানি অতিশয় মৰ্ম্মান্তিক বেজাৰ পালে। এই নিমিত্তে ব্ৰাহ্মণ দম্পতিযুগল কাশীৰ যোগীৰাজ ভাস্কৰানন্দ স্বামীৰ আৰু যুগাৱতাৰ ৰামকৃষ্ণ পৰমহংস দেৱৰ উপদেশ পাবলৈ গৈছিল। উভয় মহাপুৰুষেই এই অত্যাশ্চৰ্য্য আৰু সুলক্ষণাক্ৰান্ত শিশুৰ ভবিষ্যৎবাণী কৰিছিল যে “শিশু ভবিষ্যতে মানব সমাজৰ এবং সৰ্ব্বপ্ৰাণীৰ প্ৰভূত কল্যাণপ্ৰদ শুক শক্তি লাভ কৰিব।

গ্ৰাম্য জননীৰ ক্ৰোড়ত বালক নলিনীকান্ত লহ্‌পহ্‌কৈ ডাঙৰ দীঘল হবলৈ ধৰিলে। নাৰী পুৰুষ নিৰ্ব্বিশেষে যিয়েই দেখে সিয়েই শিশুক একোলা নেলোৱাকৈ থাকিব নোৱাৰে। এনেকুৱা সুলক্ষণাক্ৰান্ত শিশুৰ কথা শুনি দূৰ দুৰান্তৰৰ পৰাও অনেক মানুহ আহি শিশুক সন্দৰ্শন কৰি পৰিতৃপ্তি লাভ কৰি গৈছিল হি। কথাতে কয়

"যি মূলা বাঢ়িব তাৰ দুপতীয়াতে চিন।" এই প্ৰবাদটি এই অত্যাশ্চৰ্য্য বালকৰ জীৱনত "সোনত সোহগা" যেন হৈ খাটিছিল। বালক জন্মৰ পৰাই ভৱিষ্যৎ জীৱনৰ মহত্ব গুৰুত্বৰ চিনাকী দিছিল। সত্যানুসন্ধিৎসা, সত্যপ্ৰিয়তা, সত্যভাষণ, ৰঙ্গৰসপ্ৰিয়তা আদি দৈবী সম্পদবিলাক এই প্ৰিয়দৰ্শন বালক জন্মগত অধিকাৰ লৈয়েই জন্মগ্ৰহণ কৰিছিল। তদুপৰি বালকৰ ৰমণীয় অঙ্গকান্তি আৰু স্বভাৱ সৌন্দৰ্য্যত সকলো মানবেই আকৰ্ষিত হৈছিল। বালক যে মহামানবাৱতাৰৰ আধাৰ লৈয়েই জন্মগ্ৰহণ কৰিছে বালকৰ জন্মৰ পৰাই সুস্পষ্ট হৈ লক্ষণবিলাক প্ৰকাশ পাইছিল। বালকৰ যোগৰ অত্যাশ্চৰ্য্য অতিন্দ্ৰিয় দৰ্শনবিলাক জন্মৰ পৰাই হৈছিল আৰু অত্যাশ্চৰ্য্য অতিন্দ্ৰিয় দেবদৰ্শন বিলাকো হৈছিল। বালক নলিনীকান্তই নিদ্ৰাৰ ভিতৰত সৰ্ব্বদাই দেখিবলৈ পাইছিল, যেন ওপৰৰ পৰা এডাল সূতা তললৈ ওলমি আছে। দেখিবলৈ আৰু পাই থাকে, দিব্যময় তেজঃপুঞ্জ কলেবৰযুক্ত এজন মহাপুৰুষ সেই ওলমি থকা সূতাডালত ধৰি ওপৰৰ ফাললৈ উঠি গৈছে। সেই দিব্যময় মহাপুৰুষক সূতাডালত ওপৰলৈ উঠা দেখি বালক নলিনী কান্তও সূতাডালত ধৰি ক্ৰমশঃ ওপৰৰ ফাললৈ উঠিবলৈ ধৰে অনেক উচ্চত আৰোহণ কৰাৰ পাচত সূতাডাল ছিগি পৰে আৰু লগে লগে নলিনীকান্তও মাটিত পৰি যায়।

কোনো এটি স্নিগ্ধ সকৰুণ ধূসৰ সন্ধ্যায় বালক নলিনী কান্তৰ বৰমাকে বালকক কলে, "বোপাই এই ঘিঁউৰ বাতিগছি পূজা ঘৰত দি আহগৈ।" বালক লৰ মাৰি ঘিঁউৰ বাতি দিবলৈ গৈ দেখে

পূজা ঘৰৰ সিংহাসনোপৰি জগতজননী দশভূজা মূৰ্ত্তি আৰোহণ কৰি আছে ; আৰু জগতজননী দশভুজাৰ চাৰিউফালে অগণন বাতি জ্বলি পূজা ঘৰটি উজ্জলময় কৰি স্বৰ্গীয় জ্যোতিঃতে শোভিত কৰি তুলিছে। বালক জগতজননী দশভূজাৰ মূৰ্ত্তি দেখি ভয়ত লৰ মাৰি আহি ৰবমাকক সকলো কথা কোৱাত ; ৰবমাকে কলে, "জগতজননী দশভুজা আই সকলো মানুহৰ, সকলো প্ৰাণীৰে আই। সৰ্ব্ব প্ৰাণীৰ আইক তুমি দেখিবলৈ পাইছা, তোমাৰ পৰম সৌভাগ্য। আইক দেখিবলৈ পোৱাত ভয়ৰ কোনো কাৰন নাই।"

কোনো এটি আগাৰ মাহৰ ঘন তিমিৰাচ্ছন্ন অন্ধকাৰ অমাবস্যা ৰাতি দোতলা দালানৰ ছাদত বালক নিদ্ৰিত হৈছিল। মাজনিশা নিদ্ৰা ভঙ্গ হৈ দেখে যে তেওঁৰ চাৰিওফালে নিশাপতি পূৰ্ণচন্দ্ৰ ঘুৰি ফুৰিছে। আন এদিন সন্ধ্যাৰ সময়ত বালক এটি ভঙা শিৱৰ মন্দিৰৰ ওচৰত এটি কবন্ধ দেখিবলৈ পাইছিল। বাল্য কালতে আৰু এদিন গাৱৰ সমনীয়া লৰা বিলাকৰ লগত ৰাতি যাত্ৰাগান শুনিবলৈ গৈছিল। যাবৰ সময়ত বালক নলিনীকান্ত অলপ পিচত পৰিছিল। এনে সময়তে বালক দেখিবলৈ পালে তাল গছৰ সমান এটি বিকটাকৃতি দৈত্য আহি তেওঁৰ বাট আগ ভেটি ধৰিছে। তাল গছৰ সমান দীঘল ডাঙৰ বিকটাকৃতি দৈত্য দেখি বালক অজ্ঞান হৈ মাটিতে পৰি গল। পাচত লগৰ সমনীয়া লৰা বিলাকে মূৰ্চ্ছা ভঙ্গ কৰি চৈতন্য সম্পাদন কৰিছিল।

শ্ৰীমদ্ভাগৱত গীতায় কৈছে—

অভয়ং সত্ত্বসংশুদ্ধিৰ্জ্ঞানযোগব্যবস্থিতিঃ

দানং দমশ্চ যজ্ঞশ্চ স্বাধ্যায়স্তপ আৰ্জ্জবম্ ॥ ১
অহিংসা সত্যমক্ৰোধস্ত্যাগঃ শান্তিৰপৈশুনম্।
দয় ভূতেষ্বলোলুপ্তং মাৰ্দ্দবং হ্ৰীৰচাপলম্ ॥ ২
তেজঃ ক্ষমা ধৃতিঃ শৌচমদ্ৰোহো নাতিমানিতা।
ভৱন্তি সম্পদং দৈৱীমভিজাতস্য ভাৰত ॥ ৩ 	১৬ অঃ

হে ভাৰত, যি জন দেৱভোগ্য সাত্ত্বিকী সম্পদ ভোগ কৰিবৰ নিমিত্তে জন্মগ্ৰহণ কৰি থাকে, সেই ভাগ্যবান জনৰ নিৰ্ভীকতা, চিত্তপ্ৰসাদ, জ্ঞানযোগত নিষ্ঠা দান, ইন্দ্ৰিয় সংযম, যজ্ঞ, তপ, স্বাধ্যায় (ব্ৰহ্মযজ্ঞাদি অৰ্থাৎ ব্ৰহ্ম সাধনা), সৰলতা অহিংসা, সত্য, অক্ৰোধ, ত্যাগ, শান্তি, পৰনিন্দাবৰ্জ্জন, সৰ্ব্ব-ভূতে দয়া, নিৰ্লোভিতা, মৃদুতা, লজ্জা, অচাঞ্চল্য, তেজ, ক্ষমা, ধৈৰ্য্য, অন্তৰ্ব্বহিঃশুদ্ধি, জিঘাংসাৰাহিত্য, অনভিমানিতা এই ২৬টি দৈৱী সম্পদৰ অধিকাৰী হৈ থাকে।

নলিনীকান্তৰ জন্মৰে পৰা এই বিলাক দৈৱী সম্পদ পৰি-লক্ষিত হৈছিল। নলিনীকান্ত যেতিয়া ১৩ বছৰৰ নমনীয় কমনীয় কিশোৰ সেই সময়তে বিখ্যাত সাহিত্য সম্ৰাট ৺বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়ৰ লগত ধৰ্ম্মৰ গভীৰ তত্ত্ববিলাক আলোচনা কৰিছিল। সাহিত্য সম্ৰাট বঙ্কিমচন্দ্ৰও এই কিশোৰৰ লগত ধৰ্ম্মৰ গভীৰ তত্ত্ববিলাক আলোচনা কৰি পৰম তৃপ্তি পাইছিল। বয়োবৃদ্ধ আৰু বয়োঃকনিষ্ঠ অসমান বয়সৰ দুজনৰ ভিতৰত ধৰ্ম্মালোচনা কোৱাটো ভাবিবৰ কথা। নলিনীকান্ত যেনেকৈ বাল্য বয়সত চাঞ্চল্যৰ দ্বাৰা ওচৰ চুবুৰীয়া সকলোকে উৎপীড়ণ

কৰিছিল তেনেকৈ নলিনীকান্তৰ ধৈৰ্য্য, স্থৈৰ্য্য, সত্যভাষণ, সত্য-প্ৰিয়তা, সত্যনিষ্ঠা গুণবিলাকে বালকক অলঙ্কৃত কৰিছিল। বালক দুষ্টামিৰ দ্বাৰা সকলোকে ব্যতিব্যস্ত কৰি থাকে; কিন্তু বালকৰ সৰলতা পূৰ্ণ নমনীয় কমনীয় মুখৰ ফালে চাই সকলো পাহৰি যায়। অনেক সময়ত বালক সত্যনিষ্ঠাৰ বশবৰ্ত্তী হৈ লোকনিন্দা বা লোকভয় শূন্য হৈ সৎসাহসৰ কৰ্ম্ম কৰি থাকে। বাল্যকালতে কোনো এদিন গ্ৰাম্য পাঠশালাৰ ছুটিৰ পাচত ঘৰমুখী আহিবৰ সময়ত পথি মধ্যে বালক দেখিবলৈ পালে এজনী গাভৰু বোৱাৰীয়েকে বৃদ্ধা শাহুয়েকক চুলি কোচাত ধৰি পিঠিত পাৰে মানে কিলাইছে। বালক এই বিসদৃশ দৃশ্য দেখি স্থিৰ থাকিব নোৱাৰিলে। তৎক্ষণাৎ চিলট, কিত্তাপ মাটিত পেলাই গাভৰু বোৱাৰীয়েকক চুলি কোচাত ধৰি পিঠিত পাৰে মানে কিলাবলৈ ধৰিলে। বোৱাৰীয়েকক কিলাই শাহুয়েকক বোৱাৰীয়েকৰ কাজিয়া ভাঙি বালক ঘৰলৈ আহিল। ইয়াৰ পাচত বৃদ্ধাৰ পুতেকহঁতে ঘটনাটি জানিব পাৰি বালকৰ ওপৰত আদালতত মোকৰ্দ্দমা দায়ৰ কৰিছিল। কিন্তু ঘটনাটিৰ সত্যাসত্য উপলব্ধি কৰিব পাৰি বৃদ্ধাৰ পুতেক-হঁতে পুনৰ মোকৰ্দ্দমাটি আদালতৰ পৰা উঠুৱাই লৈছিল। সত্যৰ সদাই জয়। এই ঘটনাটিত বালকৰ সত্যনিষ্ঠাবেই চিনাকী পোৱা যায়। বাল্যকালতে নিজৰ পিতৃ মাতৃকো দোষ পালে দোষ সংশোধন কৰি দিছিল। কোনো এদিন নলিনীকান্তৰ মাতৃদেৱী মাণিক সুন্দৰী দেৱীয়ে তেওঁৰ স্বামীৰ

অজ্ঞাতে কোনো এটি গাঁৱৰ মানুহক ধান দিছিল। এই ঘটনায় বালক ক্ষুন্ন হৈ মাতৃদেবী মাণিক সুন্দৰী দেবীক কৈছিল, "তুমি পিতাৰ বিনানুমতিতে ধান দিলা কেলেই." দেখা যায় মাণিক সুন্দৰী দেবীও কম তেজস্বিনী নাৰী নাছিল তেওঁ তেজস্বিতাৰ সৈতে উত্তৰ কৰিছিল—"মই দাসী নে বাঁদী যে, তোৰ পিতাৰ বিনানুমতিতে মোৰ ইচ্ছানুৰূপ কোনো কাম কৰাটো দোষনীয় বুলি গণ্য হব।" এই খিনিতে মাণিক সুন্দৰী দেবীৰ ধৈৰ্য্য, স্থৈৰ্য্যৰ কথা এটিও নকৈ নোৱাৰিলোঁ। কোনো এদিন অন্ধকাৰ ৰাতি এটি বিষধৰ সৰ্পৰ গাত মণিক সুন্দৰী দেবীৰ ভৰি পৰাত, বিষধৰ সৰ্পটিয়ে ফণা বিস্তাৰ পূৰ্ব্বক মাণিক সুন্দৰী দেবীক দংশন কৰিবলৈ উদ্যত হৈছিল ; কিন্তু মাণিক সুন্দৰী দেবীয়ে বিষধৰ সৰ্প টিক এনে ভাবে ভৰিৰে গচকামাৰি ধৰিলে, যাতে কৰি বিষধৰ সৰ্পটিয়ে ফণা বিস্তাৰ কৰি মাণিক সুন্দৰী দেবীক দংশন কৰিবলৈ সাধ্য নহল। মানিক সুন্দৰী দেবীয়ে গচকামাৰি ধৰা অৱস্থাতে বিষধৰ সৰ্পটিক আন মানুহে মাৰি পেলায়।

বালক নলিনীকান্ত যেতিয়া গ্ৰাম্য পাঠশালাত পঢ়িছিল, সেই সময়ত এদিন পাঠশালাৰ পণ্ডিত মহাশয় অহাত পলম হোৱাত স্কুলত ছাত্ৰ বিলাকে বৰ গোলমাল কৰিছিল। যেতিয়া পণ্ডিত মহাশয় স্কুলত উপস্থিত হলহি তেতিয়া ছাত্ৰবিলাকে ইটোৱে সিটোক মাৰিছে সিটোৱে ইটোক মাৰিছে বুলি ওজৰ কৰিবলৈ ধৰিলে। ছাত্ৰ বিলাকৰ এনেকুৱা গোলমালৰ কথা

শুনি পণ্ডিত মহাশয়ৰ খং উঠি মুৰৰ চুলিৰ আগ পালেগৈ আৰু এফালৰ পৰা ছাত্ৰ বিলাকক সৌকা বেতৰে কোবাবলৈ ধৰিলে। এই ঘটনাত ৭ বছৰীয়া নলিনীকান্তই বিচলিত হৈ পণ্ডিত মহাশয়ক কলে, আপুনি অবিচাৰে ছাত্ৰ বিলাকক শাস্তি দিছে কেলেই।" ৭ বছৰীয়া এটি বালকৰ মুখত বয়োবৃদ্ধৰ নিচিনা কথা শুনি পণ্ডিত মহাশয়ৰ আৰু খং উঠি মুৰৰ চুলিৰ আগ পালেগৈ, আৰু বালক নলিনীকান্তক বেতৰে বেচিকৈ কোবাবলৈ ধৰিলে। বেত খাই বালক ঘৰলৈ লৰ মাৰিলে আৰু পণ্ডিত মহাশয়ক শিক্ষা দিবৰ নিমিত্তে বদ্ধপৰিকৰ হল। সঁচাকৈয়ে এদিন বালক পণ্ডিত মহাশয়ক শিক্ষা দিবলৈ গৈ বাধা পাই উলটি আহে। এই বিলাক ক্ষুদ্ৰ ঘটনাৰ দ্বাৰা বালকৰ দৃঢ়তা আৰু নৈতিকবলৰেই পৰিলক্ষিত হৈ থাকে।

সৰু সৰু বালিকা বিলাকক দেখা যায়, সিহঁতে পুতুলা বিলাকক মাতৃবত স্নেহ আদৰ কৰি থাকে আৰু পুতুলাৰ দৰা কন্যাৰ বিবাহ দি থাকে। এই বিলাক ঘটনাৰ দ্বাৰা বালিকাৰ ভবিষ্যতে অপৰিণত বয়সৰ অন্তর্নিহিত মাতৃত্ব বিকাশৰেই সূচনা কৰি থাকে। বালক নলিনীকান্তৰ বাল্য চঞ্চলতাৰ দ্বাৰা ওচৰ চুবুৰিয়াক উৎপীড়ণ কিম্বা সত্য, ন্যায় এবং নিৰপেক্ষ বিচাৰৰ অমূল্য কথাবিলাকে ভবিষ্যত জীৱনৰ মহত্ত্ব এবং গুৰুত্ব কৰ্ম্মৰেই চিনাকী দিছিল। কোন এদিন গাঁৱৰ কোনো মানুহ এঘৰৰ ভোজত নিমন্ত্ৰিত হৈ বালক গৈছিল। নিমন্ত্ৰিতৰ ভোজ ঘৰত বহি থাকিবৰ সময়ত এটি জেঠি বালকৰ শিৰো-

দেশত পতিত হৈছিল। বালকৰ এই ঘটনা দেখি গাঁৱৰ একেন অভিজ্ঞ বয়োজ্যেষ্ঠ মানুহে বালক সম্বন্ধে ভৱিষ্যৎবাণী কৰি কৈছিল, "নলিনী, তুমি এদিন মহৎ মানবৰূপে মানব সমাজত পূজিত হবা। সেই দিনা মোৰ কথা মনত ৰাখিবা। মোৰ কথা মনত ৰাখিবানে?

গাঁৱৰ বয়োবৃদ্ধ মানুহ বিলাকেও বালকৰ নিৰপেক্ষ সত্যভাষণক ভয় কৰি চলিছিল। এবাৰ গাঁৱত এখনি পঞ্চায়ত বহিছিল। সেই সময়ত ইংৰাজী সভ্যতাই নগৰ অতিক্ৰম কৰি গাঁৱত প্ৰবেশ কৰিবলৈ ধৰিছিল। সেই নিমিত্তে গাঁৱৰ কিশোৰ আৰু তৰুণৰ দল মূৰৰ চুলিৰ টিকনী কাটি ইংৰাজী সভ্যতাৰ মাৰ্জ্জিত ৰুচিৰ পক্ষপাতিত্ব দেখুৱাইছিল। গাঁৱৰ কিশোৰ আৰু তৰুণৰ দল মূৰৰ টিকনী কাটি ধৰ্ম্মভ্ৰষ্ট হোৱা দেখি গাঁৱৰ অভিভাৱক সকল বিশেষভাৱে চিন্তিত হৈ পৰিল; আৰু সকলো অভিভাৱক মিলি ইয়াৰ সুবিচাৰ কৰিবৰ নিমিত্তে গাঁৱত পঞ্চায়ত বহিছিল। কিশোৰ নলিনীকান্তও এই পঞ্চায়তত উপস্থিত আছিল। তেওঁ পঞ্চায়তৰ আলোচনা শুনিবলৈ পাই কবলৈ ধৰিলে, "গাঁৱৰ কিশোৰ আৰু তৰুণৰ দল মূৰৰ টিকনী কাটি যি দোষ কৰিছে; গাঁৱৰ অভিভাৱক সকলে মূৰত টিকি, কপালত চন্দনৰ তিলক, কণ্ঠত তুলসী কিম্বা ৰুদ্ৰাক্ষৰ মালা নামাবলী গাত লৈ যি বিলাক গৰ্হিত কাম কৰি থাকে তাতোকৈ ডাঙৰ দোষ হব নোৱাৰে। মই সেই বিলাক দোষৰ কথা এই পঞ্চায়তত প্ৰকাশ কৰিব পাৰোঁ। গাঁৱত সকলোৰে"

নলিনীকান্তৰ তেজস্বিতা আৰু সত্যভাষণৰ বিষয়ে অ'বিদিত নাছিল. এই নিমিত্তে সভাস্থলত নিজৰ নিজৰ দোষ প্ৰকাশ হৈ পৰাৰ ভয়ত অনেকেই মৃতাৰ ছলেৰে সভাস্থল ত্যাগ কৰি গুচি গৈছিল।

নলিনীকান্ত সৰুৰে পৰা অতিশয় ৰঙ্গৰস প্ৰিয় আছিল। কোনো এখন সভাত নলিনীকান্তৰ পিতামহ সম্বন্ধীয় এজনে নলিনীকান্তৰ ভগিনীপতিৰ ফালে আঙ্গুলিয়াই বালক নলিনীকান্তক সুধিছিল, "এও তোৰ কি হয়।" এই কথা শুনি নলিনীকান্তই বাল্য সৰলতাৰে উত্তৰ কৰিছিল, "সেই কথা আপোনাক কলেই, আপুনি শুনিলে সন্তুষ্ট হব পাৰিবনে?" এই কথা শুনি উপস্থিত সকলোৱে হো হো কৰি হাঁহিবলৈ ধৰিলে।

সত্যানুসন্ধিৎসা, সত্যানুৰাগ নলিনীকান্তৰ ভিতৰত জন্মৰ পৰাই ভস্মাভূত বহ্নিৰ নিচিনাকৈ অন্তৰত জ্বলি আছিল। তেওঁ নবীন তৰুণ বয়সতে দুখনি পুস্তক লেখিছিল। এখনি সুধাংশুবালা উপন্যাস আনখনি তৰণী সেন বধ নাটক। দুইখনি গ্ৰন্থতে নলিনীকান্তৰ নবীন তৰুণ মনৰ ত্যাগ বৈৰাগ্যমণ্ডিত সত্যানুসন্ধিৎসা সত্যানুৰাগেই অভিব্যক্ত হৈছে। বাল্য কালতে নলিনীকান্তই ৰামায়ণ, মহাভাৰত, পুৰাণ পঢ়ি কান্দি আকুল হৈছিল। বালকৰ এনেকুৱা করুণ ভাৱৰ অভিব্যক্তি দেখি স্নেহময়ী জননীয়ে পুস্তক বিলাক লুকুৱাই ৰাখি দিছিল। বাল্যকালতে নিজৰ পিতৃ, মাতৃ, আত্মীয় স্বজন, পিতৃস্বসা, মাতৃস্বসা আদিৰ স্নেহ মমতাৰ ভিতৰত আৰু তৰুণ বয়সত পত্নী প্ৰেমৰ ভিতৰতো নলিনীকান্তৰ দ্বাৰা স্বাৰ্থপৰতাৰ ভাব পৰিলক্ষিত হৈছিল। তেওঁ নিজেই যোগীগুৰু

ভূমিকাত লিখিছে, "পিতৃ, মাতৃ, আত্মীয় স্বজন, পত্নী, পিতৃষ্বসা, মাতৃষ্বসা সকলোৱে স্বাৰ্থপৰ। নিজৰ নিজৰ স্বাৰ্থত ব্যাঘাত ঘটিলে, পিতৃমাতৃ সন্তানক বিসৰ্জ্জন দিব পাৰে, ভাই ভগিনী, পিতৃষ্বসা, মাতৃষ্বসা এবং পত্নী বিহ উদ্গীৰণ কৰিব পাৰে। স্বাৰ্থান্ধগণ কেৱেই নেদেখিলে যে, কোন্ উপাদানে মোৰ অন্তৰ গঠিত হৈ উঠিছিল।" নলিনীকান্তৰ বাল্যকালৰ পৰাই অন্তৰখনি সত্যানুসন্ধিৎসা, সত্যানুৰাগ আদি অনাসক্ত ভাবৰ উপাদানে গঠিত হৈ উঠিছিল। যেন পিতৃ, মাতৃ, ভাই, ভগিনী, পত্নী, আত্মীয় স্বজনৰ ভিতৰত থাকিও অন্তৰখনি সকলোৱে পৰা বিবিক্ত হৈ অন্তৰ্নিহিত অজ্ঞাত উপাদানে তৈয়াৰী হৈ উঠিছিল। বাল্য কালত নলিনীকান্তৰ লিখা পৰাত বিশেষ ধাউতি দেখা ন গৈছিল। বালক বৰ্ণমালা শিকোঁতেই চাৰিখনি প্ৰথম ভাগৰ মুণ্ডপাত কৰিছিল। ব্ৰাহ্মণৰ ৰীতিনীতি অনুসাৰে বালক নৱম বছৰ বয়সত উপবীত ধাৰণ কৰে। উপবীত ধাৰণ কৰাৰ পাচত তেওঁ সন্ধ্যা আহ্নিক এবং গায়ত্ৰী জপত বিশেষ মনোযোগী হৈছিল। ধৰ্ম্ম কৰ্ম্মত অতিশয় মন দিছিল। তেৰ বছৰ বয়সত বালকৰ মাতৃ বিয়োগ হৈ থাকে। স্নেহময়ী জননীৰ মৃত্যুত বালকৰ বাল্য চঞ্চলতা, চপলতা এবং হাঁহি ধেমালি একেবাৰেই অন্তৰ্হিত হল। স্বভাৱত বালক গম্ভীৰ আৰু নিৰ্জ্জনত চিন্তামগ্ন হৈ অকল শৰীয়াকৈ থাকিবলৈ ভাল পাইছিল। এই আকস্মিক ঘটনাৰ দ্বাৰা বালকৰ অন্তৰত তত্ত্বানুসন্ধিৎসাৰ তুমুল ধুমুহা বৰলৈ ধৰিছিল। এই সময়ৰ পৰাই কিশোৰ নলিনীকান্তৰ লিখা পঢ়াত অত্যধিক মনোযোগী দেখা গৈছিল আৰু শ্ৰেণীত

সৰ্ব্বোচ্চ প্ৰথম স্থান অধিকাৰ কৰিছিল। অৱশেষত মধ্য ইংৰাজী স্কুলত বৃত্তি লাভ কৰিছিল।

ভুবন মোহন চট্টোপাধ্যায়ে পত্নী বিয়োগ হোৱাত ঘৰত সন্তান কেইটিৰ অযত্ন হোৱাৰ অনুমান কৰি নলিনীকান্তক সহোদৰ কেইটিৰ সৈতে নলিনীকান্তৰ মাতামহৰ ঘৰলৈ পঠিয়াই দিয়ে। নলিনীকান্তৰ মাতুলালয়ত বিপুল সম্পত্তি। কিন্তু এই বিপুল সম্পত্তিৰ উত্তৰাধিকাৰীস্বৰূপে নলিনীকান্তৰ বৃদ্ধা মাতামহী আৰু দুগৰাকী মাতৃস্বসাৰ বাহিৰে আন কোনো পুৰুষ বা তিৰোতা মানুহ নাছিল। নলিনী কান্তৰ মাতামহৰ ঘৰত দোল, দুৰ্গোৎসৱআদি বাৰ মাহত তেৰ পাৰ্ব্বন হৈ থাকিছিল। এই বিপুল সম্পত্তিৰ উত্তৰাধিকাৰী সহোদৰগণ সহ নলিনীকান্তই ভবিষ্যতে হব এই কথা জনা গৈছিল। নলিনীকান্ত গ্ৰাম্য পাঠশালাৰ শিক্ষা শেষ কৰি নগৰৰ উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়িবলৈ ধৰে। উচ্চ ইংৰাজী স্কুলৰ এণ্ট্ৰেন্স ক্লাচত পঢ়িবৰ সময়ত সোতৰ বছৰ বয়সত হুগলী জিলাৰ ২৪ পৰগণা, মহকুমাৰ হালিসহৰ নিবাসী বৈদ্যনাথ মুখোপাধ্যায়ৰ কন্যা শ্ৰীমতী সুধাংশু বালাৰ সৈতে এওঁৰ শুভ পৰিণয় হৈ থাকে। বিবাহৰ পাচত তেওঁ পত্নীক নিজৰ ওচৰত মাতুলালয়ত নেৰাখি নিজৰ ঘৰত পিতৃৰ সেৱাৰ নিমিত্তে পঠিয়াই দিয়ে। এই অপ্ৰীতিকৰ ঘটনাত তেওঁৰ বিধবা মাতৃস্বসা দুগৰাকীয়ে তেওঁৰ পঢ়াৰ ব্যয় বন্ধ কৰি দিয়ে। কিন্তু এই ঘটনায় নবীন তৰুণ নলিনীকান্ত দমিবৰ পাত্ৰ নহয়। তেওঁ কোনো দিন আত্মীয় স্বজন কিম্বা আন কোনো মানুহৰ ওচৰত নিজৰ অন্তৰৰ মহিমা খৰ্ব্ব কৰিব পৰা নাই। এই

খিনিতো সেয়ে হল। বিধবা মাতৃস্বসা দুগৰাকীক তেওঁৰ ভবিষ্যতে উন্নতিৰ পথ দেখিবলৈ পাইও মুখৰ কথা এটিও কবৰ প্ৰয়োজন বোধ নকৰিলে। তেওঁ বিশ্ববিদ্যালয়ৰ পঢ়া পৰিত্যাগ কৰি ঢাকায় ওভাৰচিয়াৰী পঢ়িবলৈ ধৰিলে। অলপ দিনৰ ভিতৰতে ঢাকায় ওভাৰচিয়াৰচিপ পাচ কৰি দিনাজপুৰ জিলা বোৰ্ডৰ ওভাৰচিয়াৰ কামত নিযুক্ত হৈ থাকে। কিন্তু যাৰ অন্তৰত সৰ্ব্ব মানবৰ সৰ্ব্ব প্ৰাণীৰ কল্যাণপ্ৰদ গুৰু ভাবৰ বীজ প্ৰসুপ্ত আছে. সামান্য স্বাৰ্থপৰ উৰ্দ্ধতন কৰ্ম্মচাৰীৰ প্ৰভুত্ব স্বীকাৰ কৰি হাত যোৰ কৰাটো তেওঁৰ অন্তৰত ঠাই হব পাৰে। দুদিনৰ ভিতৰতে উৰ্দ্ধতন কৰ্ম্মচাৰীৰ লগত বাক্‌বিতণ্ডা হৈ চাকৰীটি বিদায় ললে। ইয়াৰ পাচত দুই এঠাইত চাকৰী কৰাৰ পাচত কলিকতাৰ দিগম্বৰ মিত্ৰৰ পৌত্ৰী শ্ৰীমতী কৃষ্ণ প্ৰমদা দাসী মহাশয়াৰ ষ্টেটে দাঁতিয়া পৰগণায় ১০০৲ টকা বেতনত চুপাৰভাইজাৰ নিযুক্ত হৈ থাকে। এই চাকৰীটি আন কেইটি চাকৰী অপেক্ষা সম্মানীয় আছিল। জৰিপৰ বিভাগত এওঁয়েই অদ্বিতীয় আছিল। এওঁৰ কৰ্ম্মত সন্তুষ্ট হৈ ষ্টেটৰ মেনেজাৰ আৰু নায়েব এওঁক উৎকোচ গ্ৰহণ কৰিবলৈ প্ৰৰোচিত কৰিছিল। কিন্তু এওঁ নায়েব আৰু মেনেজাৰক শুনাই দিছিল, "উৎকোচ গ্ৰহণ কৰাটো মোৰ কৰ্ম্ম নহয়। উৎকোচ গ্ৰহণ কৰিলে প্ৰজা কিম্বা জমিদাৰৰ বিশেষ ক্ষতি কৰা হব।" সৰ্বাচলতে দেখা যায় অৰ্থৰ নিমিত্তে মানুহে চাকৰী কৰি থাকে। কিন্তু সেই অৰ্থ হাতত পৰাতো তৰুণ নলিনীকান্তই

গ্রহণ কৰা নাছিল। নলিনীকান্তৰ নিৰ্লোভিতা, সত্য এবং ন্যায় পৰায়ণতাই পৰিলক্ষিত হৈ থাকে এবং সত্য এবং ন্যায়ৰ মৰ্য্যাদা বাল্য, কৈশোৰ, তৰুণ জীৱনৰ কোনো বয়সত ক্ষুন্ন কৰিব পৰা নাছিল কাৰণেই অন্তৰত মহত্ব গুৰুত্ব ভাৱৰ পূৰ্ণতা বিকাশ লাভ কৰিছিল।

এই কৰ্ম্মৰ নিমিত্তে এওঁক কলিকতাত বাস কৰিবৰ প্ৰয়োজন হৈছিল। কলিকতাত বাস কৰিবৰ সময়ত এটি অলৌকিক অত্যাশ্চৰ্য্য এবং অভাবনীয় ঘটনাৰ দ্বাৰা এওঁৰ জীৱন নাটক অভাৱনীয়ৰূপে পৰিবৰ্ত্তন হৈ থাকে। এওঁ তৰুণ বয়সত বাল্যকালৰ সকলো ধৰ্ম্ম কৰ্ম্ম পৰিত্যাগ কৰি ঘোৰ নাস্তিক হৈ উঠিছিল। "ঋণংকৃত্বা ঘৃতং পিবেত," ঈশ্বৰ, পৰকাল কবিৰ কল্পনা। মানব দেহাবসানৰ লগে লগে মানবাত্মাৰ অস্তিত্ব লোপ পাই থাকে। ধৰ্ম্ম, কৰ্ম্ম, সন্ধ্যা, আহ্নিক, পূজা কৰা, ঈশ্বৰ চিন্তা কৰা সময়ৰ অপব্যবহাৰ মনত ভাবি ব্ৰাহ্মণৰ সন্ধ্যা আহ্নিক, পূজা আদি নিত্য নৈমিত্তিক কৰ্ম্ম বিলাক পৰিত্যাগ কৰি ইংৰাজী ভাবাপন্ন হৈছিল। কিন্তু অত্যাশ্চৰ্য্য এবং অভাবনীয় ঘটনাটিৰ দ্বাৰা এওঁৰ প্ৰসুপ্ত ধৰ্ম্মৰাজ্য উদ্ঘাটিত হৈ উঠে। ঘোৰ নাস্তিকতাৰ পৰিবৰ্ত্তে আস্তিক ভাবাপন্ন কৰি তুলিলে। এই ঘটনায় ঈশ্বৰ আৰু পৰলোক তত্ত্ব জানিবৰ নিমিত্তে নলিনীকান্ত ব্যাকুল হৈ উঠিছিল।

কোনো এদিন সন্ধ্যাৰ পাছত ৰজনী দেবীয়ে ভ্ৰমৰ সদৃশ ক'লা কেশ গুচ্ছ মেলি আপোনাৰ মহিমা গৰিমা বিস্তাৰ কৰিছিলে,

সেই সময়ত কলিকতাৰ দ্বিতল হৰ্ম্যাত বহি তৰুণ নলিনীকান্তই জৰিপৰ মেপ পৰিদৰ্শন কৰিছিল। সেই সময়ত হঠাৎ তেওঁৰ টেবল ল্যাম্পটি পোহৰহীন নিষ্প্ৰভ হৈ উঠিলে। এনে ঘটনাত নলিনীকান্তই উপৰলৈ চাই দেখে যে তেওঁৰ স্ত্ৰী শ্ৰীমতী সুধাংশুবালা ছায়ামূৰ্ত্তিতে ঠিয় হৈ আছে। এই সময়ত তেওঁৰ স্ত্ৰী তেওঁৰ কুতুবপুৰ গাঁৱৰ ঘৰত আছে। ইমান দূৰৰ পৰা তেওঁৰ স্ত্ৰী এনে সময়ত কলিকতাত আহিবৰ কোনো সম্ভাবনা নাই। বিষাদযুক্ত তেওঁৰ স্ত্ৰীৰ ছায়া মূৰ্ত্তি দেখি তেওঁ অলপ চক্‌মক্ খাই উঠিলে। চক্‌মক্ খোৱাৰ লগে লগে ছায়া মূৰ্ত্তিটিও অদৃশ্য হৈ গল। কিন্তু এই দৃশ্য দেখি তেওঁৰ মন অতিশয় ব্যাকুল হৈ উঠিলে, ঘটনাটি ভৌতিক কাণ্ড বুলিও ভাবিব নোৱাৰিলে। কিয়নো পাশ্চাত্য শিক্ষা দীক্ষা দীপ্ত তৰুণ নলিনীকান্তই ভুত, প্ৰেত, পৰকালৰ অস্তিত্বই স্বীকাৰ নকৰে। এই নিমিত্তে ঘটনাটি তেওঁ কোনো পিনে থিবাং কৰিব নোৱাৰি তেওঁ বৰকৈ ব্যাকুল হৈ উঠিলে। এনে সময়ত পিয়ন আহি এটি খামযুক্ত টেলিগ্ৰাফ আনি দিলেহি। টেলিগ্ৰাফ পাই জানিব পাৰিলে যে ইতিপূৰ্ব্বে তেওঁৰ স্ত্ৰীৰ মৃত্যু হৈছে আৰু শাগ্ৰই তেওঁক ঘৰলৈ মাতি পঠিয়াইছে। নলিনীকান্তই স্ত্ৰীৰ মৃত্যুত অতিশয় বেজাৰ পালে। কিয়নো তেওঁ স্ত্ৰীক অতিশয় ভাল পাইছিলে। ইয়াৰ পাচতে তেও কামৰ সকলো বন্দোবস্ত কৰি গাঁৱৰ ফাললৈ যাত্ৰা কৰিলে।

ঘৰ পাই তেওঁ দেখিবলৈ পালে ঘৰত লোকে লোকাৰণ্য।

অনুসন্ধানৰ দ্বাৰা তেওঁ জানিব পাৰিলে যে তেওঁ যি সময়ত কলিকতাত ছায়া মূৰ্ত্তিটি দৰ্শন পাইছিল সেই সময়তে তেওঁৰ স্ত্ৰীৰ মৃত্যু হৈছিল। কিন্তু অলপ সময়ৰ পাছতে মৃতকৰ পুন জীবিতৰ লক্ষণ প্ৰকাশ পাবলৈ ধৰিলে। এই ৰকম অভাবনীয় ঘটনাৰ দ্বাৰা গাঁৱত এটি চাঞ্চল্য উপস্থিত হৈছিল আৰু এনে অলৌকিক ঘটনাৰ দ্বাৰা আকৃষ্ট হৈ গাঁৱৰ সকলো মানুহে আহি মৃতকৰ উচৰত ভিৰ কৰিছিলহি। যেতিয়া নলিনীকান্তই ঘৰ পাই স্ত্ৰীৰ ওচৰত বহিলগৈ তেতিয়া দেখা গল তেওঁৰ স্ত্ৰীয়ে তেওঁক যেন কিবা এটি কথা কবলৈ মন কৰিছে, কিন্তু আন আন মানুহ ওচৰত থকাত কথাটি কবলৈ সঙ্কোচ কৰিছে। তেতিয়া আন মানুহ বিলাক ৰোগীৰ ওচৰৰ পৰা আতৰি গল। ইয়াৰ পাছতে তেওঁৰ স্ত্ৰীয়ে তেওঁৰ হাত এখনি নিজৰ হাতৰ উপৰত ৰাখি কলে, "মোৰ মৃত্যুৰ পাচত তুমি পুনৰ-বিবাহ নকৰিবা। সদগুৰুৰ পৰা মন্ত্ৰ এবং দীক্ষা গ্ৰহণ কৰি সাধন ভজন কৰিবা আৰু ঈশ্বৰ লাভ হব। তেনেহলে তোমাৰ মোৰ পুনৰ মিলন হব।" ইয়াৰ পাছত সুধাংশুবালা মৰ জগত পৰিত্যাগ কৰি অমৰ ধামলৈ প্ৰয়াণ কৰিলে। শ্মশানত দাহ কৰিবৰ সময়ত নলিনীকান্ত যোৱা নাছিল। সেই নিমিত্তে তেওঁৰ পিতাকেই মুখাগ্নি কৰিছিলে। এই নিমিত্তে পিণ্ডাদি তেওঁৰ পিতাকেই দিয়াৰ যো-বা কৰি তেওঁ পুনৰ কৰ্ম্মস্থল কলিকতালৈ আহিলে।

কলিকতাত আহি তেওঁ কামত সম্পূৰ্ণ মন দিব নোৱাৰিলে।

পত্নীৰ মৃত্যুত তেওঁ অতিশয় ব্যাকুল হৈ উঠিলে। মানবৰ মৃত্যুৰ পাচতো মানবাত্মাৰ অস্তিত্ব লোপ নেপায়। ঈশ্বৰ পৰকাল কবিৰ কল্পনা নহয়। সতাই মানবাত্মাৰ অস্তিত্ব মৃত্যুৰ পাচতো থাকে। তেন্তে মই মোৰ পত্নীৰ লগত পুনৰ মিলন হব পাৰিব। যদি মই মোৰ পত্নীক পুনৰ নেপাওঁ তেন্তে আৰু এই মৰ জগতত অভিনয় কৰিবলৈ উলটি নাহোঁ। এই বিলাক তেওঁ চিন্তা কৰিবলৈ ধৰিলে। শ্ৰাদ্ধৰ পূৰ্ব্ব দিনৰ ৰাতি তেওঁৰ পত্নী ছায়া মূৰ্ত্তিতে দেখা দি কলে, "তুমি মোৰ শ্ৰাদ্ধ নকৰা নেকি?" নলিনীকান্তই কলে, "তুমি কোন?" ছায়া মূৰ্ত্তিটিয়ে কলে, "মই তোমাৰ পত্নী সুধাংশুবালা।" নলিনীকান্তই কলে, "তুমি মোৰ পত্নী সুধাংশুবালা যদি হোৱা তেন্তে মোৰ ওচৰত আহি বিছনাৰ উপৰত বহাহি।" তেতিয়া ছায়া মূৰ্ত্তিটি ধীৰে ধীৰে আহি বিছনাৰ উপৰত ভৰি ওলোমাই বহিলহি। ছায়া মূৰ্ত্তিটি বিছনাৰ উপৰত বহাৰ পাচত নলিনীকান্তই স্ত্ৰীৰ গাত স্পৰ্শ কৰি ছায়া মূৰ্ত্তিটিৰ কোনো স্পৰ্শ অনুভৱ কৰিব নোৱাৰি সুধিলে, "মই তোমাৰ কোনো স্পৰ্শ অনুভৱ পোৱা নাই কিয়?" ছায়া মূৰ্ত্তিটিয়ে কলে, "মই এতিয়া সূক্ষ্ম উপাদানে গঠিত সূক্ষ্ম শৰীৰি। স্থূল উপাদানে গঠিত তোমাৰ হাতেৰে মোৰ সূক্ষ্ম শৰীৰৰ স্পৰ্শ অনুভৱ পাব নোৱাৰা। কালি শ্ৰাদ্ধৰ দিন, তুমি মোৰ পিণ্ড দিবা।" নলিনীকান্তই কলে' "মোৰ পৰকালত কোনো বিশ্বাস নাই সেই নিমিত্তে মই পিণ্ড দিবলৈ মোৰ ইচ্ছা নাই। পিতাই মুখাগ্নি কৰিছে, তেওঁয়ে যি হয় লৌকিক আচাৰ কৰিব।" ছায়া মূৰ্ত্তিটিয়ে কলে "এতিয়াও তোমাৰ পৰকালৰ উপৰত অবিশ্বাস ৰল। পতি পত্নীৰ আকৰ্ষণত পৰি মৃত্যুৰ পাচতো মই তোমাক দেখা দিছোঁহি। তুমি শ্ৰাদ্ধ কৰিলে মই যিমান তৃপ্তি লাভ কৰিম

আনে দিলে সিমান তৃপ্তি বোধ কৰিব নোৱাৰিম।" নলিনী-কান্তই কলে, "কা'ললৈ শ্ৰাদ্ধৰ দিন, ইয়াৰ ভিতৰতে মই কেনেকৈ শ্ৰাদ্ধৰ বস্তু যোগাৰ কৰিম।" মূৰ্ত্তিটিয়ে কলে, "তুমি যি বস্তুকে খাবলৈ ভাল পোৱা, সেই খোৱা, বস্তু বিলাক এখনি কাঁহিত সজাই দিবা; তাতেই মই তৃপ্তি লাভ কৰিব পাৰিম।" এই কথা কৈয়ে মূৰ্ত্তিটি অদৃশ্য হৈ গল।

পাচ দিনা নলিনীকান্তই তেওঁৰ পত্নীয়ে জীৱিত অৱস্থাত যি যি খাদ্য বস্তু খাবলৈ ভাল পাই থাকে; সেই বিলাক খাদ্য বস্তু বজাৰৰ পৰা কিনি আনি এখনি কাঁহীত ভালকৈ সজাই মজিয়াত এখন পীৰা পাৰি খাদ্য বস্তু পূৰ্ণ কাঁহি খনি দি, তেওঁ তেওঁৰ পত্নীৰ উদ্দেশে ক'লৈ ধৰিলে, "মই তোমাৰ প্ৰীতিৰ নিমিত্তে এই খাদ্য বস্তু নিবেদন কৰিছোঁ; তুমি আহি খাদ্য বস্তু বিলাক গ্ৰহণ কৰি তোমাৰ তৃপ্তি সাধন কৰা, আৰু মোৰো অন্তৰত তৃপ্তি সাধন কৰাহি।" খাদ্য বস্তু নিবেদন কৰি নলিনীকান্ত প্ৰায় এঘণ্টা মান বহি থাকিও কোনো প্ৰাণীৰ উদ্দেশ নেপাই তেওঁ ভাবিবলৈ ধৰিলে। "মই যে ইমান দিন পত্নীৰ ছায়া মূৰ্ত্তি দেখি থাকোঁ, এইটো মোৰ মনৰ সম্পূৰ্ণ ভ্ৰম। মই পত্নীক অতিশয় ভাল পোৱাৰ কাৰণে পত্নীৰ ছায়া মূৰ্ত্তিটো মোৰ চকুৰ আগত দেখিবলৈ পাই থাকোঁ। পত্নীৰ ছায়া মূৰ্ত্তিটো মোৰ মনৰেই প্ৰতিমূৰ্ত্তিৰ বাহিৰে আন একো হব নোৱাৰে। মই অনৰ্থক এই বিলাক খাদ্য বস্তু পত্নীৰ উদ্দেশে নিবেদন কৰি বহি আছোঁ।" "এই বুলি তেওঁ নিজেই সেই প্ৰেতাত্মাৰ উদ্দেশে দিয়া খাদ্য বস্তু বিলাক গ্ৰহণ কৰিবৰ নিমিত্তে এটি গ্ৰাস হাতেৰে তুলিছে; এনেতে তেওঁৰ পত্নীৰ ছায়া মূৰ্ত্তি আবিৰ্ভূত হৈ কবলৈ ধৰিলে, "তুমি কি কৰিছা। তুমি তোমাৰ পত্নীৰ উচ্ছিষ্ট ভক্ষণ কৰিবলৈ

মন কৰিছা। ছিঃ পত্নীৰ উচ্ছিষ্ট ভক্ষণ কৰা উচিত নহয়।" নলিনীকান্তই কলে, "তোমাক মই অহাও নেদেখিলো, খাদ্য বস্তু গ্ৰহণ কৰাও দেখা নাই, উচ্ছিষ্ট হব কি ৰকমে?" মূৰ্তিটিয়ে কলে, "মই এতিয়া সূক্ষ্ম শৰীৰি, খাদ্য বস্তুৰ স্থূল অংশ গ্ৰহণ কৰিবৰ মোৰ সামৰ্থ্য নাই। সেই নিমিত্তে মই এতিয়া খাদ্য বস্তুৰ সূক্ষ্মাংশ গ্ৰহণ কৰি পৰিতৃপ্তি লাভ কৰি থাকো। তোমাৰ প্ৰদত্ত খাদ্য বস্তুৰ সূক্ষ্মাংশ মই গ্ৰহণ কৰি পৰিতৃপ্ত হইছোঁ। এই নিমিত্তে এই খাদ্য বস্তু বিলাক উচ্ছিষ্ট, উচ্ছিষ্ট খাদ্য বস্তু বিলাক গঙ্গায় বিসৰ্জ্জন দিয়াগৈ।" এই কথা কৈয়ে মূৰ্তিটি অদৃশ্য হৈ গল। পত্নীৰ কথা মতে নলিনীকান্তই প্ৰেতাত্মাৰ উচ্ছিষ্ট খাদ্য বস্তু বিলাক গঙ্গায় বিসৰ্জ্জন দিলে।

আমি আগতে কৈ আহিছোঁ নলিনীকান্ত সত্যানুসন্ধিৎসা, সত্যানুৰাগ আদি দৈৱী সম্পদৰ অধিকাৰী হৈয়েই জন্মগ্ৰহণ কৰিছিল। সত্যানুসন্ধিৎসা, সত্যানুৰাগেই বাল্য চঞ্চলতা, দয়া, প্ৰীতি, নিৰপেক্ষ বিচাৰ, আত্মীয় স্বজনৰ প্ৰতি অনাশক্ত ভাবে প্ৰকাশ পাইছিল। এতিয়া মৃত পত্নীক অবলম্বন কৰি সত্যানু-সন্ধিৎসা, সত্যানুৰাগ দপ্‌দপ্‌ কৰি জ্বলিবলৈ ধৰিলে। মৃত পত্নীৰ লগত পুনৰ্মিলনেই ধ্যান জ্ঞান হৈ উঠিলে। এই খিনিতে তাৰ্কিক তৰ্ক তুলিব পাৰে। মানব মাত্ৰেই কামিনী কাঞ্চনে পাগল। তৰুণ নলিনীও যে পত্নীৰ নিমিত্তে পাগল হব এইটো কি ডাঙৰ কথা। কিন্তু তৰুণ নলিনীকান্তৰ লগত সাধাৰণ নাৰী পুৰুষৰ আসক্তিৰ কথা মুঠেই নাই। নবীন তৰুণ নলিনীকান্তৰ নাৰীৰ ওপৰত কামনামূলক সাধাৰণ আসক্তিৰ কাৰণ হলে এগৰাকী সুধাংশুবালা মৃত হৈছে; আৰু এগৰাকী বালা বিবাহ কৰিলেই কামনাৰ নিবৃত্তি হব পাৰিলে হয়তেন। তেওঁৰ পুনৰ বিবাহৰ অসমৰ্থতাৰ কাৰণো নাছিল। তেওঁৰ

নৱীন তৰুণ বয়স, জাতি, কুল, মান, বিদ্যা, বুদ্ধি, অৰ্থ, স্বাস্থ্য কোনো ফালেই হীন আছিল বুলি কব নোৱাৰি। তেওঁ মৃত পত্নীৰ উদ্দেশে সম্মানীয় উচ্চ বেতনৰ চাকৰী পৰিত্যাগ কৰিলে জীৱনৰ মায়া মমতা পৰিত্যাগ কৰিলে, ভাই বন্ধু, আত্মীয় স্বজন, এবং পিতৃ স্নেহৰ ডোল ছিঙিলে। মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন এই কথাই অন্তৰত লৈ তেওঁ নিৰুদ্দেশ যাত্ৰা কৰিলে। সাধাৰণ নাৰী পুৰুষ সংঘটিত কামনা মূলক আসক্তি থাকিলে নিজৰ জীৱনৰ উপৰতো আসক্তি থাকিলে হেঁতেন আৰু তেওঁ নিজক এই ৰকম নিৰ্ম্মম ভাৱে সংসাৰৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰিলে হেঁতেন। একমাত্ৰ অন্তৰত পত্নীৰ বিশুদ্ধ প্ৰেমাগ্নি জ্বলাই লৈ পৰলোক, পৰকাল অথবা চঞ্চল নৰজগতৰ পিচত অচঞ্চল অমৰ নিত্য বস্তুৰ সন্ধান কৰাই লুকাই আছিল। এই নিমিত্তে তেওঁ চঞ্চল অনিত্য জীৱনক নগণ্য ভাবি পত্নী প্ৰেমক অৱলম্বন কৰি অপৰোক্ষভাৱে তেওঁ সত্য বস্তুৰেই সন্ধান কৰিছিল।

## শ্ৰীশ্ৰীনিগমানন্দ জীৱনী প্ৰসঙ্গ

## প্ৰথম খণ্ড সমাপ্ত

পোৱাৰ ঠাই :—
গ্ৰন্থকাৰ আৰু প্ৰকাশক
শ্ৰীখগেশ্বৰ ব্ৰহ্মচাৰী।
নিগম তপোবন পোঃ ক্যামাখ্যা
জিলা কামৰূপ (আসাম)।

GOVERNMENT OF ASSAM. ★ DISTRICT LIBRARY. ★
Call No........

—ঃ গুৱাহাটী ঃ—

বিজয়া আৰ্ট প্ৰেচ হইতে মুদ্রি ।